# Centre for Studies in Social Sciences, Calcutta

**Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006**

| | |
|---|---|
| Record No: 2006/165 | Language of work: Assamese |
| Author (s) / Editor (s): Lakshinath Bezbaruah | |
| Title: বাঁহী | |
| Transliterated Title: Baā̃hai | |
| Translated Title: | |
| Place of Publication: Kalkatā (Calcutta) | Publisher: Editor. |
| Year: 1913, 14, 15, 16, 17, | Edition: |
| Size: 21 cms | Genre: magazine |
| Volumes: IV, V, VI, VII, VIII | Condition of the original: Brittle. |
| Remarks: 1st 2 volumes reprinted in the year 1999. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |

ষষ্ঠ বছৰ — ষষ্ঠ সংখ্যা

## সূচী


| বিষয় | পিঠি |
| --- | --- |
| সম্পাদকৰ চৰা | ২৮৯ |
| ভক্তি | ৩০২ |
| হিন্দু-মুচলমানৰ বিদ্বেষ ভাব | ৩০৩ |
| সন্ধিয়াৰ অতিথি | ৩০৫ |
| জীৱনৰ চৌধ্যটি ভুল | ৩০৬ |
| মালতী | ৩০৭ |
| জুলুলী মৰিল কিয় | ৩১১ |
| অদ্ভুত জাতি | ৩১৩ |
| গান | ৩১৮ |
| ব্ৰহ্মজ্ঞানী শিশু | ৩১৮ |
| আগৰ কথা | ৩২০ |
| মোণোৱাল জাতি | ৩২১ |
| প্ৰথম চিঠি | ৩২৭ |
| জয়মতী উৎসৱ | ৩৩৯ |
| গদাধৰ সিংহৰ অজ্ঞাতবাস | ৩৪২ |
| চক্ষু মন্তব্য | ৩৪৪ |


Nakul Ch Bhuyan — 30/-



# সম্পাদকৰ চৰা।

ভক্তি সকলো ধৰ্ম্ম, সকলো উপাসনাৰে যে সাৰ এইটো আমি আগেয়ে দেখুৱাই আহিছোঁ। কিন্তু সেই ভক্তি সত্বগুণীয়া ভক্তিহে, ৰজোগুণীয়া তমোগুণীয়া নহয়। হীৰা অতি উৎকৃষ্ট পদাৰ্থ; কিন্তু হীৰাৰ ভিতৰতো সুলক্ষণীয়া কুলক্ষণীয়া আছে। কহিনুৰো হীৰা, "হপ ডায়েমণ্ড" "Hope Diamond" নামে যি ডাঙৰ হীৰা আছে সিও হীৰা; কিন্তু কহিনুৰ যাৰ মুকুটত আছে, আৰু আগেয়েও আছিল, সি পৃথিৱীত মহা প্ৰতাপশালী শ্ৰেষ্ঠ সম্ৰাট আৰু "Hope Diamond" * যাৰ হাতত তাৰ কপালত

* It was originally bought in India by Tavernier, who sold it to Louis XIV, and its history is since fairly clear. Tavernier died ruined. Madame de Montespan asked for it and was supplanted by Madame de Maintenon. Maris Antoinette asked for it and was given it. After the revolution it disappeared for 40 years when it turned up in Amsterdam in the hands of a diamond cutter, named Fals whose son stole it and the father was in consequence ruined and the son committed suicide. In 1830 it was sold to Mr. Henry Thomas Hope for £18,000, Mr. Hope was not unlucky. On Mr. Hope's death it went to New York and sold to a New York jeweller, who got into difficulties. It was brought to Paris and sold to a Russian Prince who gave it to an actress at the Folies Bergere, who was shot on the stage by the Prince from a box the first night she wore it. There is no doubt it was then sold to a Greek jeweller who fell down a precipice after he had sold it to Abdul Hamid who gave it to Salma Subaya his favourite and who was shot by the Sultan when the Young Turks broke in. It then passed to one Habib Effendi who paid it is said £80,000 for it and he was drowned in the sinking of the Messageries boat "La Seyne" off Singapore. His collection was sold in 1909 and the stone bought by an American called McLagan not knowing its history. He tried to repudiate the purchase but after litigation had to take the stone and it was said to have gone down in the "Titanic" but no one can verify this.——Chambers Journal.

অপঘাত মৃত্যুকে আদি কৰি অসীম দুৰ্দ্দশা। এই কথা আমি কুসংস্কাৰৰ বশবৰ্ত্তী হৈ কোৱা নহয়; শিক্ষিত সভ্য আৰু বিচক্ষণ লোকৰ অভিজ্ঞতাৰে উপাৰ্জ্জিত মতেই এনে। যদি আমাৰ এই কথাত কুসংস্কাৰৰ চাট আছে বুলি তুমি উৰাই দিয়া, তেন্তে আমিও তোমাৰে সৈতে তাকে লৈ খৰিয়াল নকৰি, সেইটো এৰি আৰু এটা কথা কওঁ। তোমাৰ হাতত থকা কটাৰীখনো নিভাঁজ ভাল তীখাৰ; মোৰ হাতত থকা কটাৰীখনো একেটা কমাৰে গঢ়া তেনেকুৱাই নিভাঁজ ভাল তীখাৰ; কিন্তু তোমাৰ কটাৰীখন যদি তুমি অপৰিস্কাৰ কৰি পেলাই থোৱা আৰু বৰং তাক বোকাত মাটিত পানীত লেতেৰা হৈ পৰি থাকিবলৈ দিয়া, তেন্তে তাক মামৰে খাই লাহে লাহে নষ্ট কৰিব। ভক্তিৰ মামৰ ৰজোগুণ আৰু তমোগুণ। সত্বগুণৰ খাপৰ ভিতৰত হে ভক্তি ভালে থাকে।

• • •

ভক্তিধৰ্ম্ম সকলোৰে ৰজা; আন ধৰ্ম্ম তাৰ আজ্ঞাবহ ভৃত্য। ধৰ্ম্মৰ ফল ভক্তি; ভক্তিয়েহে ধৰ্ম্মৰ সাৰ্থকতা; ভক্তিহীন ধৰ্ম্ম অসাৰ্থক আৰু বিফল। ধৰ্ম্ম সাধনাৰ পথ হে, Process হে, ভক্তিহে তাৰ সুস্বাদ ফল। যি ধৰ্ম্মই ঈশ্বৰৰ চৰণত ভকতি ওপজায় সেই ধৰ্ম্মহে পৰম ধৰ্ম্ম। ঈশ্বৰত ভক্তি হলে মনৰপৰা সকলো কামনা পলায়, চিত্ত সুপ্ৰসন্ন হয়, ৰজ তমৰ কুৰঁলি গুচি মন শুদ্ধ সত্বগুণস্থিত হয়। এই নিমিত্তে সত্বগুণাশ্ৰিত ভক্তিহে আচল নিৰ্ম্মল ভকতি, সিহে তত্বজ্ঞান ওপজায়। তত্বজ্ঞান মানে পৰমাত্মা ঈশ্বৰৰ জ্ঞান।

• • •

প্ৰকৃতি ত্ৰিগুণময়।—সত্ব, ৰজ, আৰু তম। প্ৰকৃতিৰ এই ত্ৰিগুণক আশ্ৰয় কৰি এক ঈশ্বৰেই তিনি মূৰ্ত্তি পৰিগ্ৰহ কৰিছে। ৰজোগুণেৰে সৃষ্টি কৰ্ত্তা ব্ৰহ্মা, সত্বগুণেৰে সৃষ্টি পালক বিষ্ণু, আৰু তমোগুণেৰে সৃষ্টি সংহাৰক ৰুদ্ৰ। সেইদেখি যদিও এই তিনিউজনা দেৱতা ভজনীয়, কাৰণ তেওঁলোক ঈশ্বৰৰ তিনি গুণৰ তিনিটি স্বকীয়া বিকাশ, তথাপি বিষ্ণুত হে মনুষ্যৰ ঘাই কাৰ্য্যৰ সিদ্ধি ঘটে; সেই কাৰ্য্য হৈছে মুক্তি, মায়াৰ বন্ধনৰপৰা মুক্ত হৈ পৰমঈশ্বৰ লাভ। ইয়াৰ কাৰণ, বিষ্ণুহে সত্বগুণৰ বিকাশ। সত্বগুণীয়া হৈ সত্বগুণৰ অধি-



ষ্ঠাতা দেৱতাক সেৱা ভক্তি কৰিলেহে নিৰ্ম্মল সত্বজ্ঞান লাভ হয়; ৰজোগুণীয়া তমোগুণীয়া হৈ ৰজোগুণ তমোগুণ মিশ্ৰিত কৰ্ম্ম আৰু ভক্তি অৱলম্বন কৰিলে, সেই দুগুণ দুটাৰ কুৰঁলিয়ে আচল জ্ঞান আচ্ছাদিত কৰি ৰাখে, আৰু উদ্দেশ্য সিদ্ধিত ব্যাঘাত ঘটে। আচল জ্ঞান হৈছে তত্বজ্ঞান, যথাৰ্থ জ্ঞান, ব্ৰহ্মজ্ঞান অৰ্থাৎ ত্ৰিগুণাতিত নিৰ্গুণ পৰমেশ্বৰৰ স্বৰূপ জ্ঞান, যি জ্ঞান লাভ হলেহে মোক্ষ লাভ হয়।

"জ্ঞানেসে জানিবা মুখ্য মোক্ষৰ নিদান।
শুদ্ধ সত্বগুণতেসে মিলে তত্বজ্ঞান॥"

এইবাবে ঈশ্বৰৰ ঘোৰ ৰূপ ত্যাগ কৰি মহন্তসকলে, সাধুসকলে, ভক্ত সকলে, শান্তমূৰ্ত্তি বিষ্ণুক, ঈশ্বৰৰ কৃষ্ণঅৱতাৰক ভজনা কৰে। ঈশ্বৰৰ ঘোৰ ৰূপৰ সাধনা যদিও ঈশ্বৰৰ সাধনা, তথাপি সি ভক্ত সাধুৰ অৱলম্বনীয় নহয়; কাৰণ ৰজ তম গুণাশ্ৰিত ঘোৰ ৰূপ সাধনাত সাধকৰ মনো ৰজ তমোগুণাশ্ৰিত হৈ বিকৃত নহৈ নাথাকে; আৰু দয়া, ক্ষমা, নিৰ্ব্বিকাৰ, নিৰ্লিপ্ত, সুখ, দুখ, হৰ্ষ, বিষাদ, মান, অপমান, শীত, উষ্ণ, শত্ৰু মিত্ৰত সমভাৱ আদি যিবোৰ সাত্বিক আৰু মোক্ষকামী ভকতৰ লক্ষণ, সেইবোৰৰপৰা কালক্ৰমত তেওঁ বিচ্যুত হৈ পৰি অচ্যুতৰপৰা আঁতৰে। ভগৱন্তই নিজমুখেই গীতাত কৈছে, যে যি মোক যেনেকৈ যি ভাৱে ভজনা কৰে, মই তাক সেই ভাৱৰ ফল প্ৰদান কৰোঁ,—

"যে যথা মাং প্ৰপদ্যন্তে তাংস্তথৈব ভজাম্যহং।
মম বৰ্ত্মানুবৰ্ত্তন্তে মনুষ্যাঃ পাৰ্থ সৰ্ব্বশঃ॥"—গীতা।

মানুহ সৰ্ব্বপ্ৰকাৰে মোৰ পথৰে অনুবৰ্ত্তী হয়। অৰ্থাৎ মই যি বাটত আছোঁ সেই বাটেদিয়েই মানুহ আহিব লাগিবই, কিয়নো, মোৰ বাহিৰে আন দেৱতা নাই; সকলো ৰূপ মোৰেই বিকাশ।

"যেঽপ্যন্যদেৱতাভক্তা যজন্তে শ্ৰদ্ধয়ান্বিতাঃ।
তেঽপি মামেৱ কৌন্তেয় যজন্ত্যবিধিপূৰ্ব্বকম॥
অহং হি সৰ্ব্বযজ্ঞানাং ভোক্তা চ প্ৰভুৰেৱচ।
নতু মামভিজানন্তি তত্বেনাতশ্চ্যৱন্তি তে॥
যান্তি দেৱব্ৰতা দেবান্ পিতৃণ্ যান্তি পিতৃব্ৰতাঃ।
ভূতানি যান্তি ভূতেজ্যা যান্তি মদ্‌যাযিনোঽপি মাম॥"

অৰ্থাৎ হৈ কৌন্তেয়, যি শ্ৰদ্ধা আৰু ভক্তিৰে অন্য দেৱতাৰ আৰাধনা কৰে, সিও অবিধিপূৰ্ব্বক মোৰেই পূজা কৰে। ময়েই সৰ্ব্ব যজ্ঞ ভোক্তা, ময়ে তাৰ প্ৰভু, ইয়াকে নাজানি সেই মূঢ়মতিয়ে সংসাৰ-চক্ৰত বাৰে বাৰে ঘূৰি ফুৰে। দেৱাৰ্চ্চনা কৰি মানুহ দেৱলোকলৈ যায়; পিতৃপূজা কৰি পিতৃলোকলৈ যায়; ভূত পূজা কৰোঁতা প্ৰেতলোকলৈ যায়; কিন্তু মোৰ ভক্তই মোৰ চৰণতে স্থান পায়। দেৱলোক পিতৃলোক আৰু স্বৰ্গলৈ যোৱাসকল, পুণ্যভোগৰ ক্ষয়ৰ পিছত আকৌ ঘূৰি মৰ্ত্ত্যলোকলৈ আহে, এইদৰে অহাযোৱা কৰি থাকে।

"তে তে ভুক্তা স্বৰ্গলোকং বিশালং
ক্ষীণে পুণ্যেমৰ্ত্তলোকং বিশন্তি।"

কিন্তু "অনন্যাশ্চিন্তয়ন্তো মাং যে জনাঃ পৰ্য্যুপাসতে" আৰু "যে ভজন্তি তু মাং ভক্ত্যা ময়ি তে তেষু চাপ্যহম" অৰ্থাৎ যি মোক অনন্যমনা হৈ ভক্তিভাৱে ভজনা কৰে তেওঁ মোৰ হয় আৰু মই তেওঁৰ হওঁ। মোক ভজনা কৰিবলৈ যাগ যজ্ঞ কৰি বলি কাটি ধুম-ধাম আড়ম্বৰ কৰি পূজা পাতিবৰ কোনো আৱশ্যক নাই,

"পত্ৰং পুষ্পং ফলং তোয়ং যো মে ভক্ত্যা প্ৰযচ্ছতি।
তদহংভক্ত্যুপহৃতমশ্নামি প্ৰযতাত্মনঃ॥"

ভক্তিৰে সৈতে যি মোক পত্ৰ পুষ্প ফল জল যি দিয়ে তাকে লৈ মই প্ৰসন্ন হওঁ।

আৰু একাষাৰ কথা ভগৱানে কৈছে—

"যো যো যাং যাং তনুং ভক্তঃ শ্ৰদ্ধয়াৰ্চ্চিতুমিচ্ছতি।
তস্য তস্যাচলাং শ্ৰদ্ধাং তামেৱ বিদধাম্যহং॥"

ইয়াৰ অৰ্থ—যি ভক্তই মোৰ যি মূৰ্ত্তিকে শ্ৰদ্ধা সহকাৰে অৰ্চ্চনা কৰে তাতেই তেওঁক মই অচলা শ্ৰদ্ধা প্ৰদান কৰোঁ।

"স তয়া শ্ৰদ্ধয়া যুক্তস্তস্যাৰাধনমীহতে।
লভতে চ ততঃ কামান্ ময়ৈৱ বিহিতান্ হি তান্॥"

আৰু শ্ৰদ্ধাৰে সৈতে তেওঁ ইষ্টদেৱতাক আৰাধনা কৰিলে ময়েই বিধান কৰা ইষ্ট ফল তেওঁ লাভ কৰে। আচল কথা,—

"অন্তবত্তু ফলং তেষাং তদ্ভবত্যল্পমেধসাম।
দেবান্ দেবযজো যান্তি মদ্ভক্তা যান্তি মামপি॥"



অৰ্থাৎ যি যি ফলৰ আশাত ফুৰে সি সেই ফলকে পায় কিন্তু সি অল্পমতি; কাৰণ সেই ফল অলপতে ঢুকায়। অল্প ফলৰ গৰাকী দেৱতাসকলক দেৱ-যাজীয়ে পায়, মোৰ ভকতে মোক পায়। অৰ্থাৎ যিসকলে ফল কামনা কৰি অন্যদেৱতাৰ উপাসনা কৰে, তেওঁলোক অল্পবুদ্ধি, তেওঁলোকৰ কাম্যফলও অন্তবৎ—ক্ষণস্থায়ী; কিন্তু যি মোক নিষ্কামভাৱে ভজনা কৰে, তেওঁ মোৰ পৰমানন্দ অক্ষয়পদ পায়।

এটা উজু উপমা দি এই কথাৰ মৰ্ম্ম বুজাবলৈ আমি চেষ্টা কৰোঁ।—ধৰা এজন ৰাজচক্ৰবৰ্ত্তী সসাগৰা পৃথিবীৰ মালিক; পৃথিবীৰ ৰেল জাহাজ সকলো তেওঁৰে। তুমি যদি ইয়াৰপৰা চিটাগওঁ বা ধুবুৰিলৈ যাবলৈ ইচ্ছা কৰি সেই ৰজাৰ ৰেলৰ অফিচত ধন দি টিকিট কিনা, তেন্তে তুমি নিশ্চয় চিটাগাওঁ বা ধুবুৰিলৈ যাবলৈ অধিকাৰ পাবা, কিন্তু দিল্লীলৈ যাবলৈ জোৰাকৈ ধন দি টিকিট কিনিলে দিল্লীলৈ যাবৰ অধিকাৰ পাবা, আৰু বিলাতলৈ যাবলৈ জোৰাকৈ ধন দি টিকিট কিনিলে বিলাতলৈ যবলৈ অধিকাৰ পাবা। যদি tour round the world অৰ্থাৎ পৃথিবী ঘূৰি ফুৰি আহিবলৈ জোৰাকৈ ধন দি টিকিট কিনি পৃথিবী প্ৰদক্ষিণ কৰিব খোজা তেন্তে সেই অধিকাৰো পাবা, কিন্তু চিটাগাওঁৰ টিকিট কিনি পৃথিবী প্ৰদক্ষিণৰ অধিকাৰ নোপোৱা। কিন্তু পৃথিবী প্ৰদক্ষিণৰ টিকিট কিনিলে চিটাগাওঁলৈ যাবৰ অধিকাৰ তোমাৰ হাতৰ তলুৱাত। তুমি ধন জন ঐশ্বৰ্য্য বিভূতি কামনা কৰি ক্ষুদ্ৰ দেৱতাৰ পূজা কৰিলে তাকেহে পাবা, কিন্তু পৰম পুৰুষাৰ্থ মুক্তি ভক্তি কত পাবা? ক্ষুদ্ৰ দেৱতা কি, ডাঙৰ দেৱতা সকলো পৰমেশ্বৰৰে ক্ষুদ্ৰ বৰৰ বিকাশ, কিন্তু সেই বিকাশৰ, সেই দেৱতাৰ, সীমাবদ্ধ ক্ষমতাৰ সীমাবদ্ধ ফল। তুমি যেনে বিচাৰা তাকে পাবা; আৰু ভুলকৈ তেওঁলোকৰ অধিকাৰৰ আৰু ক্ষমতাৰ বাহিৰা বস্তু বিচাৰিলে কত পাবা? আন দেৱতাসকল, পৰমঈশ্বৰ পৰমব্ৰহ্মৰ, তোমাৰে নিচিনা অধীন। তুমি যেনেকৈ ঈশ্বৰৰ অংশ জীৱ, তেওঁ-লোকো সেই দৰে ঈশ্বৰৰ অংশ জীৱ; মাত্ৰ তোমাতকৈ তেওঁলোক তুলনাত ডাঙৰ অংশ, ডাঙৰ শক্তিমন্ত, এই মাত্ৰ। সৰহ নেলাগে জীৱাত্মাসম্বলিত মনুষ্যৰ ভিতৰতে ডাঙৰ সৰু শক্তিৰ তাৰতম্য সদায় আমি দেখি আছোঁ।

• • •

নিষ্কাম কৰ্ম্ম, নিষ্কাম ভক্তিৰ শ্ৰেষ্ঠতা এই খিনিতে। একনিষ্ঠ বৈষ্ণৱ ভকতে এই কথাৰ মৰ্ম্ম বুজি সকলো কামনা পৰিত্যাগ কৰি নিষ্কাম ভাৱে ঈশ্বৰৰ চৰণত সেৱা ভক্তি কৰে। কিয়? এই কথাৰ অলপ আলচ কৰা যাওক।—মানুহ ক্ষুদ্ৰ প্ৰাণী, ক্ষুদ্ৰ বুদ্ধিৰ জীৱ। মানুহৰ জ্ঞান, কাম, ইচ্ছা, বাসনা যিমানকে ডাঙৰ দীঘল বহল বুলি আমি ভাবোঁ, তথাপি সি সীমাবদ্ধ। তুমি আজি ধন বস্তু ঐশ্বৰ্য্য বিভূতি ক্ষমতা মান ইত্যাদিৰ কামনা কৰি তাৰ নিমিত্তে, আন আন দেৱতাসকলৰ ওচৰত নালাগে, পৰমেশ্বৰৰ ওচৰতে ভক্তিভাৱে শ্ৰদ্ধাৰে প্ৰাৰ্থনা কৰিলা; পৰমেশ্বৰে তোমাৰ সেই কামনা সিদ্ধি কৰিলে। কিন্তু যেতিয়া তোমাৰ কাম্যবস্তু লাভ কৰিলা, তেতিয়া দেখিবা, তোমাৰ আৰু কামনা ওলাল, তুমি লাভ কৰা আগৰ কাম্য বস্তুৱে তোমাক সম্পূৰ্ণ সুখী কৰিব নোৱাৰিলে। কিয়? ইয়াৰ কাৰণ কি? কাৰণ তোমাৰ কামনা সীমাবদ্ধ, ঈশ্বৰ অসীম। তুমি তোমাৰ কামনাৰ পাৰ পালে গৈয়েই তৎক্ষণাৎ দেখা যে, সেয়েই পাৰ নহয়, আৰু আছে; সেইদেখি তোমাক আৰু লগা হয়, তোমাৰ মনত আকৌ নতুন কামনা জাগ্ৰত হৈ উঠে। সসাগৰা পৃথিৱীৰ ৰজাৰো কামনা শেষ নহয়; গোটেই পৃথিৱী, সকলো প্ৰজাৰ ওপৰত তেওঁ ৰজা হৈও, শেহত তেওঁ দেখে আৰু তেওঁক কিবা লাগে, নহলে সুখ নাই। তেওঁৰ ঘৰত পুত্ৰ পৰিজনৰপৰাই তেওঁৰ সুখ নাই। ধনাৰ্থী বিদ্যাৰ্থীয়ে বিদ্যাৰ ধনৰ কামনা কৰি ঈশ্বৰক ভজনা কৰিলে, ঈশ্বৰে তেওঁক সেই দুটা দিলে; কিন্তু তাৰ পিছত তেওঁৰ আৰু এহেজাৰ এটা মনস্কামনাৰ সুৰুঙা তেতিয়াই ওলাই পৰিল, যাৰ বিষয়ে তেওঁৰ সীমাবদ্ধ জ্ঞানে আগেয়ে একো নাজানিছিল। এতিয়া এটা এটাকৈ আকৌ তেওঁ তেওঁৰ কামনা পূৰাবলৈ ঈশ্বৰক খাটিব লগীয়াত পৰিল। এই process এই প্ৰণালীৰ ওৰ নাই; গতিকে তুমি সন্তুষ্টও হব নোৱাৰা; তোমাৰ কামনাৰ বৰ ধাৰৈটো দিনে ৰাতিয়ে পৰিশ্ৰম কৰি মৰি-মুজি লাগিলেও সি পূৰ্ণ নহয়। সেইদেখি জ্ঞানী ভকতে নিজক অসীম অখণ্ড পৰমানন্দ দয়ালু ঈশ্বৰৰ হাতত একেবাৰে সমৰ্পণ কৰি দিয়ে; তেওঁ নিজে যি সাংসাৰিক জীৱন নিৰ্ব্বাহৰ কৰিব লগীয়া কাৰ্য্য কৰে তাক ঈশ্বৰৰ আদিষ্ট ঈশ্বৰৰ কাম বুলি কৰে আৰু তাৰো ফলাফল ঈশ্বৰৰ চৰণত সমৰ্পণ কৰি



দিয়ে। তেতিয়া নিজৰ ক্ষুদ্ৰ জ্ঞান ক্ষুদ্ৰ কামনাৰ ওপৰত তেওঁ নিৰ্ভৰ কৰিব লগীয়া নহৈ, নিৰাপদ নিশ্চিন্ত হয়, আৰু মন অময়া সুখত মজে; কাৰণ তেওঁৰ ভৱসিন্ধুতৰীৰ কাণ্ডাৰী ঈশ্বৰ হল। তেওঁৰ সীমাবদ্ধ মনে কামনা কৰা সীমাবদ্ধ বস্তু, সকলো সীমাবদ্ধ সুখ, ঈশ্বৰৰ ইচ্ছাৰ ভিতৰত সোমাল; তেওঁৰ আৰু ভয় নাই। সাধাৰণ কথাতে আমি দেখিবলৈ পাওঁ, প্ৰাকৃতিক সাহজিক অৱস্থাৰ ওপৰত হস্তক্ষেপ কৰি আমাৰ নিজৰ জ্ঞান কৌশলৰ সহায় লৈ অস্বাভাৱিক ভাৱে আমি দৈনিক জীৱনৰ কাৰ্য্য নিৰ্ব্বাহ কৰি কি হব লাগিছোঁ। স্বাভাৱিক ঈশ্বৰদত্ত বস্তু এৰি অৰ্থাৎ plain living এৰি artificial কৃত্ৰিম উপায় অৱলম্বন কৰি দীৰ্ঘায়ু আৰু স্বাস্থ্য কেনে মহাৰ্ঘ দিনো কৰিব লাগিছোঁ। Country life মফস্বলীয়া জীৱনতকৈ town life নগৰীয়া জীৱন এইবাৰে দীৰ্ঘায়ুসম্পন্ন আৰু সুস্থ নহয় এইটো আমি সকলোৱে জানো। ইয়াৰ কাৰণ, নগৰত আমাৰ artificial life আৰু ডাক্তৰ কবিৰাজৰ ওপৰত আমাৰ স্বাস্থ্য আৰু জীৱন, কিন্তু মফস্বলত থাইকৈ প্ৰকৃতিৰ ওপৰত। এই নিমিত্তেহে কওঁ যে ভকতে নিষ্কাম হৈ ঈশ্বৰৰ হাতত সকলোকে সমৰ্পণ কৰি সকামীসকলতকৈ অশেষগুণে লাভ কৰে। লাভ লোকচানৰ ফালৰপৰা চালেও ইয়াকে দেখা যায়।

• • •

ঈশ্বৰৰ উপাধিবিশিষ্টৰ সাধনাত সাধনাৰ ফলো বিভিন্ন হয়। একে জুইকে নানা প্ৰকাৰে নানা কাৰ্য্যত ব্যৱহাৰ কৰি নানাপ্ৰকাৰ ফললাভ কৰা যায়। হোম কৰি বহ্নিৰ মুখেৰে ঈশ্বৰক আমি ঘৃতাদি আহুতি নৈবিদ্য প্ৰদান কৰোঁ, জুইৰে নিজৰ আহাৰ পাক কৰি খাওঁ, অথচ সেই জুইৰে প্ৰতিবেশীৰ ঘৰও পোৰোঁ, টোপেৰে বন্দুকেৰে মানুহো মাৰোঁ। ঈশ্বৰৰ ত্ৰিগুণাত্মক মূৰ্ত্তিৰ আমাৰ দ্বাৰাই ব্যৱহাৰ আৰু আশ্ৰয়ৰো ফল তেনে হয়। পশু বা নৰবলি কাটি ঘোৰৰূপা শোণিতলোলুপা দেৱী মূৰ্ত্তিক ( যদিও তুমি সেই মূৰ্ত্তিক সেই ৰূপক ঈশ্বৰৰে এক ৰূপ এক মূৰ্ত্তি বুলি ভাবা, আৰু আমিও যে নাভাবোঁ এনে নহয় ) ভক্তিৰে সৈতে পূজা কৰা, কিন্তু তাৰ ফল, অভীষ্ট সিদ্ধি অৰ্থাৎ মোক্ষলাভৰ পক্ষে ব্যাঘাতজনক হয়। শ্ৰাদ্ধ কৰি, বলি কাটি, পিতৃ ভূতপতি লোকপাল প্ৰভৃতিক বিস্তৰ আয়াস কৰি

পূজা কৰি যি ফল পোৱা যায় সি অল্প, আৰু অনেক সময়ত বিকৃত হয়। এইবাবে বৈষ্ণৱে শান্তমূৰ্ত্তি কৃষ্ণক সুদৃঢ় বিশ্বাসেৰে পূজা কৰে; ঈশ্বৰৰ আন বিকাশ ঘোৰ ৰূপৰ পূজা পৰিহাৰ কৰে;. অথচ সেইসকলক অৱজ্ঞা আৰু নিন্দা নকৰে। এয়েই আমাৰ শঙ্কৰ মাধৱদেৱৰো শিক্ষা, এয়েই তেওঁলোকৰ প্ৰচাৰিত ধৰ্ম্ম। ৰত্নাৱলী শাস্ত্ৰত লেখিছে,—

"বিস্তৰ আয়াসে ভজি পাৱে অল্প ফল।
জানি ঘোৰ ৰূপ ত্যজি মহন্ত সকল॥
শান্ত মূৰ্ত্তি কৃষ্ণ অৱতাৰক ভজন্ত॥
আন দেৱ সমস্তক নিন্দা নকৰন্ত।"—

* * *

এতিয়া আমি দেখিলোঁ যে ভক্তিয়েই হে তত্ত্বজ্ঞান লভিবৰ উপায়, আৰু তত্ত্বজ্ঞানতহে মুক্তি। কিন্তু ভকতে মুক্তিকো নিবিচাৰে,—বিচাৰে ভক্তিহে। মুক্তি লাভ কৰিও ভকতসকল সন্তুষ্ট নহয়; তেওঁলোকক মুক্তিৰ পিছতো ভক্তিহে লাগে, মুক্তিলৈ তেওঁলোকৰ হেঁপাহ নাই। তেওঁলোকৰ হাতলৈ মুক্তি আহিল আহিল, নাহিল নাহিল, তাত তেওঁলোকৰ ভ্ৰুক্ষেপ নাই; তেওঁলোক মুক্তিত নিস্পৃহ। তেওঁলোকৰ কোনো কামনা নাই ভক্তিৰ বাহিৰে; ভক্তিয়েই তেওঁলোকৰ কাৰ্য্য, ভক্তিয়েই কাৰণ, আৰু ভক্তিয়েই ফল। এই সেৱকে প্ৰভুৰ, এই দাসে স্বামীৰ ওচৰত নিষ্কাম ভকতি বিচাৰে, প্ৰভুৰ নিকিনা-গোলাম হৈ থাকিবলৈ বিচাৰে; তাৰ নিমত্তে এই শ্ৰেণীৰ ভক্ত দাসসকলে বেতন নিবিচাৰে, কোনো সুখ সম্পদ নিবিচাৰে; মাত্ৰ ভকতি কৰি যি সুখ, প্ৰভুৰ দাসালি কৰি মনত যি আত্মপ্ৰসাদ হয়, তাকেহে তেওঁলোকক লাগে। সেইটো কেনে সুখ কি সুখ বুলি তেওঁলোকক সুধিলে তেওঁলোকে কয় "আমি তোমাক বুজাব নোৱাৰোঁ, তুমি তেনেকৈ ভক্তি কৰা, তেতিয়া নিজে বুজিবা। চেনি নোখোৱাক আমি চেনিৰ সোৱাদ বুজাব নোৱাৰোঁ, তুমি চেনি খাই আপুনি বুজি লোৱা।" কিন্তু এই ভক্তি সাত্ত্বিক কাৰ্য্যৰ অৱলম্বনত কৰা সাত্ত্বিক গুণাশ্ৰিত ভক্তি, ৰাজসিক তামসিক কাৰ্য্যৰ অৱলম্বনত সাধনা কৰা দোষযুক্ত বিকাৰযুক্ত ভক্তি নহয়। তোমাৰ হাতত থকা "আঙঠি" "আঙঠি", মোৰ হাতত থকা "আঙঠি" "আঙঠি;" কিন্তু



মোৰ আঙঠিৰ তোলাত বত্ৰিশ টকা, তোমাৰ হাতত থকা আঙঠিৰ তোলাত দুটকা, এই প্ৰভেদ। মোৰ হাতত থকা মুকুতাও মুকুতা, তোমাৰ হাতত থকা মুকুতাও মুকুতা; কিন্তু দুইৰো বেচৰ প্ৰভেদ স্বৰ্গ আৰু মৰ্ত্ত্য। ৰজ তম গুণীয়া ভক্তি আৰু সত্বগুণীয়া ভক্তিৰো ভিতৰত এনে তাৰতম্য এনে প্ৰভেদ। সাত্ত্বিক ভক্তি নিৰ্ভাজ সোণ; আন দুবিধীয়া ভক্তিত ৰজোগুণ তমগুণৰ ভাঁজ সোমাই তাক ভেজুৱা কৰিছে। এইবাবে গীতাত একনিষ্ঠ অব্যভিচাৰী ভক্তিৰ প্ৰতি ইমান লক্ষ্য। গীতাত ভগৱানে সকলো ধৰ্ম্মজ্ঞান অৰ্জ্জুনক দি, জ্ঞানযোগ কৰ্ম্মযোগ সকলোৰে স্ব স্ব প্ৰাধান্য আৰু উৎকৰ্ষতা মন খুলি উদাৰভাৱে দেখুৱাই, শেষত সকলোৰে ওপৰত ভক্তিযোগক, আৰু বিশেষকৈ অব্যভিচাৰী ভক্তিযোগক ঠাই দি সামৰণি মাৰিলে। অনন্যশৰণ ভক্তিয়েই গীতাৰ শেষ আৰু চূড়ান্ত উপদেশ, গীতাৰ গুপ্তধন কহিনুৰ, যাক তেওঁৰ ভক্ত অৰ্জ্জুনৰ হাতত ঈশ্বৰে প্ৰদান কৰিলে। মায়াৰ দ্বাৰাই শোক মোহৰ দ্বাৰাই মুগ্ধ অৰ্জ্জুনৰ মন যেতিয়া সকলো সাৰ উপদেশৰ দ্বাৰাই নিৰ্ম্মল হোৱাটো ভগৱন্তই দেখিলে, তেতিয়া তেওঁ ভকতৰ অমূল্য নিধি এই ভক্তি মহাপ্ৰসাদ অৰ্জ্জুনৰ হাতত সমৰ্পণ কৰি কলে—

"মন্মনা ভৱমদ্ভক্তো মদ্‌যাজী মাংনমস্কুৰু।
মামেবৈষ্যসি সত্যং তে প্ৰতিজানে প্ৰিয়োঽসি মে॥"

অৰ্থাৎ মোতেই তোমাৰ প্ৰাণ মন সকলো সমৰ্পণ কৰি সকলো পৰিত্যাগ কৰি মোৰ ভক্ত হোৱা, মোক ভজনা কৰা, মোক নমস্কাৰ কৰা, তেনেহলে মোক তুমি পাই ভৱসিন্ধু পাৰ হবা। মই সত্য কৰি প্ৰতিজ্ঞা কৰি তোমাক এই কথা কলোঁ, কাৰণ তোমাক মই ভাল পাওঁ।" মাধৱদেৱে এই কথা কেনেকৈ শুৱলাকৈ ঘোষাত ভাঙিছে চোৱা—

"মোত মাত্ৰ সদা দিয়া মন মোৰ ভক্ত হোৱা সৰ্ব্বক্ষণ,
মোকে পূজা মাত্ৰ মোকে কৰা নমস্কাৰ।
কহিলোঁ তোমাত সত্যবাণী পাইবা সুখে মোক মহামানী
তুমি প্ৰিয়তম সুহৃদ সখি আমাৰ॥"

গীতাৰ এই একশৰণ আৰু অব্যভিচাৰী ভক্তি শঙ্কৰদেৱৰ প্ৰচাৰিত ধৰ্ম্মৰ প্ৰাণ। এইবাবে শঙ্কৰদেৱৰ উপদেশ—

"অন্য দেৱী দেৱ, নকৰিবা সেৱ,
গৃহক নযাইবা তাৰ।
মূৰ্ত্তিকো নচাইবা, প্ৰসাদো নখাইবা,
ভক্তি হৈব ব্যভিচাৰ।"
"এক দেৱ, এক সেৱ, এক বিনে নাহি কেৱ।"

মাধৱদেৱৰ বাক্য—

"একখানি মাত্ৰ শাস্ত্ৰ নিষ্ঠ দৈৱকী তনয়ে কৈলা যাক,
দেৱ একমাত্ৰ দৈৱকী দেৱীৰ সুত।
দৈৱকী পুত্ৰৰ পদ সেৱা, কৰ্ম্ম এহি মানে মাত্ৰ জানা,
মন্ত্ৰ এক তান নাম মহা অদভুত॥"

* * *

নৈ বহল হৈ গলে আৰু অনেক সুঁতিত বিভক্ত হলে সি বাম হয়; ঠেক হৈ গোটেই সোঁতা একেপিনে গলে সি দ হয়। ভক্তিৰ সোঁতাবো তেনে কথাই। কোনো এটা বিষয় লাভ কৰিবলৈ হলে যেনেকৈ একাগ্ৰতা আৱশ্যক, ঈশ্বৰ প্ৰাপ্তিৰ আশা কৰিলে সেই দৰে ভক্তিৰ একাগ্ৰতা প্ৰখৰতা আৰু গভীৰতা আৱশ্যক। ৰেজিৰ আগটো জোঙা আৰু সৰু হলেহে সি বস্তুত সোমায়, এটা point অৰ্থাৎ বিন্দুত সি concentrate কৰিলেহে, একাগ্ৰভূত হলে হে তাৰ পদাৰ্থ ভেদ কৰিবৰ ক্ষমতা হয়। ভক্তিও সেই দৰে concentrated একমুখীয়া একাগ্ৰভূত হব লাগে, তেহে সি মায়া ভেদ কৰি ঈশ্বৰৰ ওচৰ পায় গৈ। বহুমুখীয়া বহুসেৱীয়া হলে সি ব্যৰ্থ হয়। তাৰে মায়াৰ আৱৰণ ভেদ কৰিব নোৱাৰি। এনে অৱস্থাকে অব্যভিচাৰী ভক্তি বোলে। ঈশ্বৰ প্ৰাপ্তিৰ নিমিত্তে এনে অব্যভিচাৰী ভক্তি নহলে নচলে।

* * *

কোনোৱে কয় যে "সকলো দেৱ দেৱীয়েই ঈশ্বৰৰ একো একোটি বিকাশ; এতেকে সকলোকে সমান ভক্তি কৰা উচিত; তোমাৰ "এক দেৱ এক সেৱ"ত begotry আৰু narrowness সঙ্কীৰ্ণতা আছে।" আমি কওঁ তোমাৰ এই কথাটোও half truth অৰ্থাৎ আদ সত্য হে, সম্পূৰ্ণ সত্য নহয়। তুমি ভক্তি শব্দটোৰ মানে সম্পূৰ্ণ নাই বুজা। তুমি ভক্তি শব্দ respect অৰ্থত ব্যৱহাৰ



কৰিছা যদি তাত আমাৰ খৰিয়াল নাই; কিন্তু তাক যদি প্ৰজাৰ আৰু ভৃত্যৰ, ৰজা আৰু প্ৰভুৰ প্ৰতি absolute loyalty, আৰু সাধ্বী স্ত্ৰীৰ পতি-ভক্তি অৰ্থাৎ chastity অৰ্থত ব্যৱহাৰ কৰিছা, তেন্তে তোমাৰে সৈতে আমাৰ ধৰ অমিল, তুমুল খৰিয়াল। আমাৰ ভক্তি নিৰ্ভাঁজ loyalty আৰু নিৰ্ম্মল chastity অৰ্থত হে ব্যৱহৃত; সেইদেখি হে তাক অব্যভিচাৰী বিশেষণেৰে বিভূষিত কৰা হয়। অব্যভিচাৰী শব্দটোৱেই আমাৰ ভক্তিৰ জাতিকুল নিৰ্ণয় কৰি দিয়ে। আমাৰ একছত্ৰ সম্ৰাট জৰ্জ আমাৰ ৰজা, আমাৰ loyalty তেওঁৰ হে পাওনা, তেওঁৰ স্ত্ৰী ৰাণী মেৰী, বৰ পুতেক প্ৰিন্স-অব-ৱেল্‌চৰ বা মহামন্ত্ৰী এচ্‌কুইথ্‌ৰ, আৰু ৰাজপ্ৰতিনিধি হাৰ্ডিঙৰ সি পাওনা নহয়। তেওঁলোকৰ পাওনা—যাক আমি respect বুলিছোঁ সিহে, loyalty নহয়। "লয়েল্‌টি" ৰজা জৰ্জৰ হে অকলশৰীয়াকৈ প্ৰাপ্য বস্তু; সেই খিনিতে তেওঁৰ বিশেষত্ব। অৱশ্যে, ৰাণী, যুৱৰাজ, ৰাজপ্ৰতিনিধি, মহামন্ত্ৰী ইত্যাদি সকলো ৰজা জৰ্জৰে বিভূতি আৰু শক্তিৰ নানা বিকাশ; সেইদেখি সেইসকলৰ প্ৰতি সম্মান প্ৰদৰ্শন কৰাটো আমাৰ কৰ্ত্তব্য, নকৰিলে জৰ্জৰ প্ৰতিয়েই পৰোক্ষভাৱে অসন্মান প্ৰদৰ্শন কৰা হব, কাৰণ সেইবোৰ জৰ্জৰে বিভূতি। কিন্তু সেইসকলৰ প্ৰতি সম্মান প্ৰদৰ্শন কৰোঁতেও, "লয়েল্‌টি" নামৰ আপুকগীয়া বস্তুটি জৰ্জলৈ সুকীয়া কৰি থৈ দিব লাগিব; আৰু ভাবিব লাগিব, যে এই সকলো বিভূতিৰ গুৰি জৰ্জ হে; অৰ্থাৎ এই ৰশ্মিকিৰণ-মালা যাৰে আমি আমাৰ জীৱনৰ কাৰ্য্য নিৰ্ব্বাহ কৰি আছিছোঁ, সকলোবোৰ জৰ্জ-সূৰ্য্যৰপৰা হে আহিছে; সেই সূৰ্য্য অস্ত গলে সেইবোৰও নাইকিয়া হয়। সেইদেখি বিষ্ণুভক্ত বৈষ্ণৱে ঈশ্বৰ কৃষ্ণলৈ সেই আপুকগীয়া অদ্বিতীয় বস্তু ভক্তিফেৰি থয়, যাৰ আন এটি নাম ভজনা; আৰু আন দেৱ দেৱীলৈ respect সম্মান থয়; সেইসকলক কোনোকালে কদাচিতো নিন্দা বা অৱজ্ঞা নকৰে; ইকালে ঈশ্বৰৰ নিৰ্দ্দিষ্ট বুলি দৈনিক জীৱনৰ কৰ্ত্তব্য কৰ্ম্ম-বোৰ কৰি যায়, তাৰ ফলাফল ঈশ্বৰৰ চৰণত সমৰ্পণ কৰি। কোনো ডাঙৰীয়াৰ বৰপুতেক বা ঘৈণী ডাঙৰীয়াণীয়ে ডাঙৰীয়াৰ বৰ্ত্তমানত আৰু "তাবত" অৰ্থাৎ ক্ষমতা আৰু ইচ্ছাৰ অধীনত থাকি ঘৰ সংসাৰৰ কাৰ্য্য চলায়; ডাঙৰীয়াৰ ঘৰৰ দাস দাসী তেওঁলোকবো অৱশ্যে আজ্ঞাবহ; কিন্তু তথাপি

দাস দাসীহঁতে জানে আৰু নাপাহৰে যে ডাঙৰীয়াহে সকলোৰে কৰ্ত্তা, আৰু অনন্যভক্তিৰেফেৰি absolute homage অকল ডাঙৰীয়াৰ হে পাওনা বস্তু। এইটোও সিহঁতে জানে, যে ডাঙৰীয়াণীক বা বৰ-বোপাক অমান্য কৰাটো সিহঁতৰ কৰ্ত্তব্যৰ বাহিৰ; কৰিলে ডাঙৰীয়াকে পৰোক্ষভাবে অমান্য কৰা হব; আৰু সেই কথা ডাঙৰীয়াই জানিলে সিহঁতৰ ওপৰত ডাঙৰীয়াৰে খং জন্মিব। সেইদেখি ৰত্নাৱলী গ্ৰন্থত লেখিছে, ভকতসকলে—

"শান্তমূৰ্ত্তি কৃষ্ণ অৱতাৰক ভজন্ত।
আন দেৱ সমস্তক নিন্দা নকৰন্ত॥"

এই দিনিতে কিন্তু এটা কথা আছে,—ডাঙৰীয়াৰ personal staff-অত থকা অৰ্থাৎ গাতে লাগি থকা লগুৱাৰ সকলো ভাৰ যেনেকৈ ডাঙৰীয়াৰ গাত, সিহঁতৰ দৰমহা কাপোৰ ভাতৰ নিমিত্তে যেনেকৈ সিহঁতে "বৰবোপা" বা "বৰবৈণী"ৰ ওচৰলৈ আহিব নেলাগে, সেইদৰে গুৰিবেপৰা একান্ত কৃষ্ণভক্ত কৃষ্ণনিষ্ঠ উদাসীন বিষয়-বিৰক্ত ভকতেও আন দেৱদেৱীৰ কাষলৈ কোনো কাৰ্য্যৰে নিমিত্তে যাবৰ সকাম নাই; কাৰণ, তেওঁলোক ভগৱন্তৰ personal staff-অৰ; তেওঁলোকৰ ভাৰ পুৰুষোত্তম ভগৱন্তৰ গাত প্ৰথমৰেপৰা। সেই দেখি ঘোষাত কৈছে -

"পুৰুষোত্তম প্ৰেম ভকতি সুখক মাত্ৰ
নিশ্চয় কৰিল যিটো জন
শৰণ কালৰ পৰা বিধিৰ কিঙ্কৰ গুচি
কৰে সদা শ্ৰৱণ কীৰ্ত্তন॥"

মুমুক্ষু আৰু জ্ঞানীও সেইদেখি "বৰ-বোপা" "বৰ বৈণীৰ" হাতত আংশিকৰূপে কিছুকাল নাথাকি নোৱাৰে। কাৰণ তেওঁলোকৰ service graded list-অত পৰি যায়, তেওঁলোকে ধৰা বাটে তেওঁলোকক নি তাত উলিয়াই দিয়ে গৈ। মুমুক্ষুৰ যেতিয়ালৈকে অবিদ্যাজনিত সুখত বৰ বিৰকতি নহয় আৰু আত্মাতে মাত্ৰ ৰমণ কৰি থকা অৱস্থা নহয় গৈ, তেতিয়ালৈকে তেওঁ বিধিৰ কিঙ্কৰ হুওচে। আৰু জ্ঞানী যেতিয়ালৈকে বিদ্যা অবিদ্যাজনিত দুয়ো প্ৰকাৰ সুখত বিৰক্ত নহয়, আৰু এই জগতক বাসুদেৱময় যাথোন নেদেখে, তেতিয়ালৈকে বিধিৰ কিঙ্কৰ, অৰ্থাৎ "বৰ-বোপা বৰ বৈণীৰ,'



ভগতীয়া হুওচে। কিন্তু বিৰক্ত বৈষ্ণৱ ভকত গুৰিবেপৰা বিধিৰ কিঙ্কৰত্বৰ-পৰা বিমুক্ত; কাৰণ তেওঁ গুৰিবেপৰা ঈশ্বৰ কৃষ্ণৰ personal staff-অত।

সতী সাধ্বী ঘৰৰ বৈণীয়ে সকলো ইষ্ট, মিত্ৰ, কুটুম্ব, বন্ধু, বান্ধৱক আদৰ সাদৰ কৰি থুৱায়; শহুৰ শাহুৰ আলপৈচান ধৰে, শহুৰ শাহুক ভক্তি কৰে; কিন্তু তেওঁৰ নিজৰ স্বামীৰ প্ৰতি যি ভক্তি সেই ভক্তি তেওঁৰ স্বামীৰ হে স্বকীয়া বস্তু; সেই ভক্তি তেওঁ আনক দিব নোৱাৰে, দিবৰ তেওঁৰ অধিকাৰো নাই; সেই একনিষ্ঠ ভক্তিৰ প্ৰকৃতিও স্বকীয়া সেই ভক্তিৰ ভাগ তেওঁ আনকো দিবলৈ গলে তাত ব্যভিচাৰ সোমাব। যম, কাল, মায়া, সৃষ্টি, স্থিতি প্ৰলয়ৰ অধিকাৰী ঈশ্বৰ কৃষ্ণক তেওঁৰ ভক্তই কৰা ভক্তিতো সেইদেখি আনৰ ভাগ নাই, তাৰ স্বভাৱ স্বকীয়া, সি একনিষ্ঠ সাধ্বী সতীৰ পতি ভক্তিৰ নিচিনা; তাত একনিষ্ঠতা নাথাকিলে ব্যভিচাৰ সোমাব, আৰু সি কুলটাৰ ভক্তিৰ শাৰীলৈ নামি স্বামী ঈশ্বৰৰ অস্পৃশ্য অগ্ৰাহ্য হব। এই কথাৰ মৰ্ম্ম গীতাৰ। এই কথাৰ খোলাখুলি উক্তি—শঙ্কৰ মাধৱৰ। সেইদেখি ঘোষাই কয়,—

"কলিত হৰিৰ কীৰ্ত্তন এৰিয়া
আনমতে চাহে গতি।
যেন কুলবধূ নিজ স্বামী তাজি
ভজে গৈয়া উপপতি॥"

শঙ্কৰদেৱৰ "এক দেৱ এক সেৱ" উপদেশত, আৰু "অন্য দেৱীদেৱ, নকৰিবা সেৱ, গৃহকো নাযাইবা, প্ৰসাদো নাখাইবা, ভক্তি হৈব ব্যভিচাৰ" কথাত অন্য দেৱ দেৱীৰ প্ৰতি অৱজ্ঞা বা অসম্মান প্ৰদৰ্শনৰ গোন্ধ যি বিচাৰি উলিয়ায়, তেওঁ যে সেই উপদেশৰ আচল মৰ্ম্ম বুজিব নোৱাৰে এইটো নিশ্চয়। শঙ্কৰদেৱে কৃষ্ণবিনে অন্য দেৱ দেৱীৰ গৃহলৈ যাবলৈ প্ৰসাদ খাবলৈ আৰু সেৱা কৰিবলৈ যাবলৈ হাক দিছে Salvation মুক্তি বিচাৰি, আচল ভকতি মহাৰত্ন বিচাৰি, কাৰণ সেই বস্তু আন দেৱ দেৱীৰ হাতত নাই। যত যি বস্তু নাই বা পোৱা নাযায় তত সেই বস্তু বিচাৰি wild goose chase-অত একাগ্ৰতা নষ্ট কৰি তোমাৰ শক্তি সামৰ্থ্য energy আৰু সময় নষ্ট কৰিলে তুমি বিফল মনোৰথ হৈ "হেলাতে মানপী" হেকবাবা;

এইটোহে বিচক্ষণ শঙ্কৰদেৱৰ উপদেশৰ মৰ্ম্ম, আন দেৱী দেৱৰ প্ৰতি অসম্মান প্ৰদৰ্শন নহয়; কাৰণ প্ৰকৃত বৈষ্ণৱৰ তেনে কাৰ্য্য স্বভাৱত, স্বগুণত, আৰু স্বপ্ৰকৃতিত নাই; থাকিলে তেওঁ প্ৰকৃত বৈষ্ণৱ হব নোৱাৰে। এই অব্যভিচাৰী ভক্তিয়েই যে ঈশ্বৰ প্ৰাপ্তিৰ একমাত্ৰ উপায়, ইয়াক দৃঢ়ৰূপে জানি মহাপুৰুষ শঙ্কৰদেৱে তাক সৰ্ব্বতোভাৱে এনেকৈ ৰক্ষা কৰি বুকুত বান্ধি আছিল, যে তাৰ প্ৰকৃত মৰ্ম্মত প্ৰবেশ কৰিব নোৱাৰাজনে সেই সম্পৰ্কে তেওঁৰ একো একোটা কাৰ্য্যত নিষ্ঠুৰতাৰ লক্ষণ যেন পৰ্য্যন্ত দেখে। কিন্তু সতীয়ে নিজৰ সতীত্ব ৰক্ষাৰ নিমিত্তে কৰা কঠোৰ কাৰ্য্যত যি গৌৰৱৰ মহিমা প্ৰকাশ পায়, শঙ্কৰদেৱৰ অব্যভিচাৰী ভক্তি ৰক্ষা কাৰ্য্যত তেনে গৌৰৱৰ মহিমাহে প্ৰকৃত মৰ্ম্ম গ্ৰহণকাৰীসকলে দেখে। তেওঁৰ শিষ্য বন্ধু ব্যাসকলাই ব্ৰাহ্মণক শঙ্কৰদেৱে পৰিত্যাগ কৰা কাৰ্য্যকো এই light-অৰ অৰ্থাৎ বস্তিৰ পোহৰৰ সহায়ত ভালকৈ বুজিব পাৰি। চৈতন্যদেৱে ভক্ত "ছোট হৰিদাসক" পৰিত্যাগ কৰা কাৰ্য্যৰ, দেখোতে নিষ্ঠুৰতাকো এই বস্তিয়ে পোহৰাই মৰ্ম্ম প্ৰকাশ কৰে।

---

## ভক্তি।

নেলাগে একো, খোজোঁ চাব মাথোঁ
(তোমাৰ) হাঁহি ভৰা মুখ;
সেয়ে মোৰ সাধন ভজন,
তাতে মোৰ সুখ।
সেই কাৰণে দিব পাৰোঁ
সকলো বিদায়,
কৰ্ম্ম, জ্ঞান, মুক্তি, ত্যাগ,
বৈৰাগ্য নিচয়।
পূজা মন্ত্ৰ, ধ্যান, জপ
তোমাৰে কাৰণে,



(লাগিলে) যাব পাৰোঁ নৰকলৈ
নাম ধৰি প্ৰাণে।
যিহতেই হয় তোমাৰ
অলপমানো সুখ,
যথাসৰ্ব্বস্ব এৰি দিম তাত
নহওঁ বিমুখ।
মোৰ বুলি যিবা আছে
তোমাতে হক লয়,
নেগাওঁ যেন ঘূৰি পিছে
যি হওক হয়।

মৰাণ।

---

## হিন্দু-মুচলমানৰ বিদ্বেষ ভাৱ।

ভাৰতত মুচলমান একাধিপত্য যাব যোৱাৰ লগে লগেই বিশেষকৈ হিন্দুসকলৰ মনত মোচলেম বিদ্বেষৰ ভাৱে আহি ঠাই লয়হি। ইয়াৰ কাৰণ আন একোৱেই নহয়, চাবলৈ গলে ইয়াৰ নিমিত্তে অকল বুৰঞ্জীয়েই হে ঘাই আৰু প্ৰধান জগৰীয়া। যদি এই বুৰঞ্জীবিলাকত মুচলমান বাদচাহসকলৰ কাৰ্য্যকলাপ আৰু কীৰ্ত্তিৰ এনে সুবল আৰু প্ৰাণস্পৰ্শী (!) সমালোচনা নেথাকিলহেঁতেন তেন্তে, নেজানো ভাৰত আজি কি সুখৰ ৰাজ্য হ'লহেঁতেন!

আমাৰ দেশীয় বুৰঞ্জী লেখকসকলৰ ভিতৰত প্ৰায় ভাগেই তেওঁলোকৰ বহু মূলীয়া কিতাপবিলাক ইংৰাজীৰপৰা অনুবাদ কৰি আনিছে। কিন্তু, তেওঁলোকে এবেলিও ভাবিবলৈ নহল যে সেইবোৰ কি হিচাপত আৰু কেনে 'কায়দাত' লেখা! সেইটো সেয়েই, ইফালে য'তে অকল মুচলমান শাসন পদ্ধতিৰ বিক্ষা পাইছে ত'তেই নিজৰ মন্তব্যৰূপ অস্ত্ৰখন ভৰাই দি ডোখৰ দোখৰকৈ তাক একেবাৰেই বিকৃত কৰি পেলাইছে।

বৰ্ত্তমানত সেই ইতিহাসবোৰ পঢ়ি মুচলমান মৰ্ম্মাহত আৰু হিন্দু ৰোমাঞ্চিত; ফলত ভাই ভাই ঠাই ঠাই, তাৰ বাহিৰে আৰু একো নাই। যদি কেনেবাকৈ মুচলমান বিজেতা হৈ নগৰত সোমাব লাগিল তেন্তে আৰু হিন্দুৰ ৰক্ষা নাই! এই অত্যাচাৰ অবিচাৰ, ধৰ্ম্মমন্দিৰ নাশ, বলেৰে হিন্দুবিলাকক মুচলমান কৰা, ইয়াৰ উপৰি আৰু কিমান অসহনীয় কথা হব পাৰে মানে সকলোখিনিকেই ভৱাব। আৰু যদি কেনেবাকৈ মুচলমান হাৰিব লাগিল, তেন্তেতো কথাই নাই। হাজাৰে হাজাৰে "ফিৰিঙ্গতি ওফৰাদি উফৰি" পলাই পত্ৰং মাৰে! কবলৈকে লাজ লাগে যে এই—"ফিৰিঙ্গতি ওফৰাদি ওফৰাটো" কেৱল মুচলমানৰ ভাগ্যত হে! এইবোৰকেই পঢ়িহে তেও আমি পৰস্পৰে পৰস্পৰৰ ওপৰত বিদ্বেষাবিদ্বেষী ভাব পোষণ কৰোঁ। আচল সঁচা আৰু প্ৰকৃতৰ ওচৰকো নেচাপোঁৱো। এই প্ৰবন্ধত এজন "ভয়ানক অত্যাচাৰী আৰু হিন্দুবিদ্বেষী" মুচলমান শাসনকৰ্ত্তাৰ এটি বিজয় কাহিনী দিওঁ, পাঠকসকলে বিচাৰ কৰি চাব।

ইতিহাসবিখ্যাত বীৰ—মহম্মদ এবনে কাচেমে ৭১১ খৃষ্টাব্দত যেতিয়া সিন্ধুদেশ জয় কৰি তাৰ ৰজা দাহিৰক নিহত কৰে, আৰু গোটেইখন দেশ একাধিপত্য কৰি লয়, তেতিয়া তেওঁ সেই দেশৰ প্ৰধান প্ৰধান বামুণ আৰু পুৰোহিতসকলক একেলগ কৰি তেওঁলোকৰ ধৰ্ম্ম আৰু দেৱালয় সম্বন্ধে যি ব্যৱস্থাপত্ৰ প্ৰচাৰ কৰে সেয়ে এই; "সকলোৱেই তেওঁলোকৰ আৰাধ্য দেৱতাৰ পূজা অৰ্চনা কৰিব পাৰিব আৰু দুখীয়া নিচলা বামুণবিলাকক দান দক্ষিণা কৰি সহায় কৰিব পাৰিব এনেকি তেওঁলোকৰ পূৰ্ব্বপুৰুষসকলৰ নিচিনাকৈ পূজা পাৰ্ব্বনাদি আৰু সকলো প্ৰকাৰ ধৰ্ম্মগত আৰু সামাজিক উৎসৱাদি একে নিয়মেই সম্পন্ন কৰিব পাৰিব। আগৰপৰাই বামুণসকলক যেনে দৰে দান দক্ষিণা কৰি অহা হৈছিল এতিয়া তাৰ কোনোটোৰেই ব্যতিক্ৰম কৰা নহব!" কি উদাৰ আৰু মহৎ ব্যৱস্থা! এইজন মহাপুৰুষেই নে হিন্দু বিদ্বেষী? এনেকুৱা শত সহস্ৰ প্ৰমাণেৰে প্ৰমাণ কৰিব পাৰি যে ঐতিহাসিক লেখক সকলে কিমান দূৰ সত্যৰ অপলাপ কৰি আমাৰ ভিতৰতে জাতীয় বিৰোধ ঘটাইছে!

এম. মোছলেহ উদ্দিন আহমদ।



# সন্ধিয়াৰ অতিথি।

ওৰে দিন মই ব'লোঁ বাট চাই,
তুমি তো নিদিলা দেখা,
আহিলা এতিয়া সন্ধিয়া বেলিকা
এনে কি বিধিৰ লেখা!
দীন-দুখী মই তেওয়ে আহিলা
কিহৰে পূজিম কোৱাঁ?
নোৱাৰোঁ সহিব আজি আহি তুমি
এনেয়ে উভতি যোৱা।
পূজাৰ সমল থইছিলোঁ যিবা
ওটিমালী ফুলকিটি,
ওকাল তেনেই পৰিল পাহিত
দুপৰৰ ৰ'দ চাটি।
কত গৃহস্থৰ চোতালত গই
কাতৰে ছিঙিলোঁ চুলি,
কোনেও এবাৰো মাতকে নিদিলে
সাঁজৰ ভিক্ষাৰী বুলি।
বাটেপথে ক'ত ফুলি আছে ফুল
চকুৰে নেপাওঁ মণি,
সাঁজৰ নিজম কলীয়া এন্ধাৰে
ছাতিলে ফুলনিখনি।
মোৰ চোতালত ফুলি আছে মাথোঁ
গধূলিগোপাল ফুল,
√ তুলসীৰ আগত জ্বলিছে বন্তি,
আকাশত তৰা থুল।
দুখুনীৰ পজা, ভিতৰত মোৰ
একো নাইকিয়া আন,

যিবা সাঁচিছিলোঁ তোমাৰ কাৰণে
সিয়ো আজি থান্ থান্।
আছে মাথোঁ মোৰ ধন বাবিধাৰ
ডাৱৰে আৱৰি ধৰা
এখনি শুইন উৰণীয়া চিত
তোমাকে বিচাৰি ফুৰা॥

শ্ৰীসূৰ্য্যকুমাৰ ভূঞা

---

# জীৱনৰ চৈধ্যটি ভুল।

( Justice Rentoul-অৰ ইংৰাজীৰপৰা )

১। নিজৰ ধাৰণাৰ অনুযায়ী ন্যায় অন্যায়ৰ আদৰ্শ থিৰাং কৰি, সকলোৱে সেই আহিৰ সমৰ্থন কৰিব এনে আশা কৰা।

২। নিজৰ অনন্দৰ মাত্ৰাৰ হিচাপেৰে আনৰ আনন্দৰ মাত্ৰাৰ বিচাৰ কৰা।

৩। পৃথিৱীত সকলো একেমত হব এনে আশা কৰা।

৪। লৰা আৰু ডেকাৰ মাজত বিচাৰ-শক্তি আৰু অভিজ্ঞতাৰ আশা কৰা।

৫। সকলোৱে স্বভাৱক একে ৰকম কৰি গঢ়িবৰ চেষ্টা কৰা।

৬। সামান্য বিষয়ত নিজৰ পৰাজয় স্বীকাৰ নকৰা।

৭। নিজৰ কাম একেবাৰে নিৰ্দ্দোষ দেখিবৰ ইচ্ছা।

৮। যাৰ সংশোধনৰ উপায় নাই সেই বিষয় লৈ নিজক আৰু আনক বিৰক্ত কৰা।

৯। দুখ বা অধঃপতন দেখিলে পৰাপক্ষত দূৰ কৰিবৰ চেষ্টা নকৰা।

১০। আনৰ দুৰ্ব্বলতাক ক্ষমা কৰিবৰ শক্তি নথকা।

১১। নিজে যি কৰিব নোৱাৰোঁ তাক অসম্ভৱ বুলি অনুমান কৰা।

১২। আমাৰ সীমাবদ্ধ মনে যাক ধাৰণা কৰিব পাৰে, অকল তাকেই সঁচা আৰু সম্ভৱপৰ বুলি বিশ্বাস কৰা।



১৩। এইদৰে জীৱন অতিবাহিত কৰা, যেন জীৱনৰ প্ৰতি মুহূৰ্ত্ত দণ্ড আৰু দিন অনন্তকাল স্থায়ী হ'ব।

১৪। গুপ্ত গুণক উপেক্ষা কৰি বাহিৰৰ গুণৰ হিচাপেৰে মানুহৰ মূল্য নিৰূপণ কৰা।

শ্ৰীসূৰ্য্যকুমাৰ ভূঞা।

---

# মালতী।

ৰতন পুৰীয়া বকুৱা ছুৱৰ,
মহীধৰ হলিৰাম;
ধনে যশে মানে অঞ্চলখনতে
ছুৱৰবে বৰ নাম।

( ২ )

মহীৰ আছিল একেটি ছোৱালী
মালতী আইটী বুলি;
হলিৰ আশাৰ গছত আছিল
প্ৰফুল্ল বোপাটি ফুলি।

( ৩ )

প্ৰফুল্ল মালতী একেটি আতমা,
ছা দুটিৰ মাথোঁ লৰ,
সৰুবেপৰাই উমলি-জামলি
একে লগে হল বৰ।

( ৪ )

দুই বকৱানী উলিয়ালে মেল,
"দুটি দুজনীৰে ধন;
উপযুক্ত হ'ল সময় এতিয়া
পতা যক বিয়াখন।"

( ৫ )

এতিয়া নহয় সি মালতী আৰু
ফুল ফুল বুলি মতা;
এতিয়া নহয় সি প্ৰফুল্ল আৰু
ধূলিতে খেমালি পতা।

( ৬ )

এতিয়া মালতী 'ফু'টি বুলিলে
'ল' আৰু ওলাই নাহে;
চকু দুটি যায় তল কাললই,
মুখ ৰঙা পৰি আহে।

( ৭ )

বিয়ালই আৰু এটি মাহ মাথোঁ,
সাজ পাৰ ঠিক-ঠাক,
দুই ঘৰুৱাৰ লাগিল কন্দল
বিধিৰ বিষম পাক।

( ৮ )

গাঁৱতে এদিন দুজন মানুহে
কৰিছিল মৰামৰি,
সমজুৱা বহি নাম-ঘৰলই
ওজনকে আনি ধৰি,

( ৯ )

পাতিছিলে মেল হলিয়ে দিছিলে
দোষ যি জনৰ গাত,
দোষী সি নহয় ভাবি ওপৰতে
দিছিলে মহীয়ে মাত।

( ১০ )

নিজ নিজ মত সমৰ্থন লই
তৰ্ক উঠিছিল বৰ;



কালৰ কুটিল গতিয়ে এখনি
ভাঙিলে নতুন ঘৰ।

( ১১ )

ডেকা ধনীৰাম মৰোৱা গাঁৱৰ
পটৱী ঘৰৰ লৰা;
প্ৰফুল্লক ভাঙি মহীধৰে তাকে
পাতিলে মলাৰ দৰা।

( ১২ )

পুখুৰী পাৰত অকলে প্ৰফুল্ল
আছিল ৰবশী বাই,
হঠাতে মালতী ওলাল এদিন
লাজৰ ভাৰটি নাই।

( ১৩ )

চকুত আছিল চকুলো দোটোপা
ৰব কি নৰবকই;
নাচিছিলে ধীৰ মলয় সমীৰ
ক'লা চুলিকোছা লই।

( ১৪ )

'এয়ে শেষ'—আৰু সুকুটিল মাত
ছিগিল বীণৰ তাঁৰ,
হৰিণীৰ যেন চকুজুৰি দিলে
দুধাৰি মুকুতা-হাৰ।

( ১৫ )

"মলা, মলা, মোৰ চেনেহৰ ধন,
কি শেষ কৰিলা আজি?
অভাগাৰ হিয়া— আকাশত আৰু
নৰবা কি তুমি বাজি?

( ১৬ )

"দিয়ানে গিয়ানে সপিছোঁ তোমাক
ই মোৰ সৰল হিয়া,

সেয়ে নেকি আজি মলা তুমি হাঁয়!
এই প্ৰতিফল দিয়া?

( ১৭ )

"কি কম তোমাক? বাণ্ডা যদি সেয়ে
কৰা সকলোৰে ওৰ;
কি বুজাম মলা? কি বুজিবা তুমি
হিয়াৰ যাতনা মোৰ?"

( ১৮ )

ঠমকি ঠমকি ফিৰিলে মালতী,
প্ৰফুল্ল তাতেই বল,
সন্ধিয়াৰ বেলি পচিমাকাশত
ধীৰে ধীৰে বুৰি গল।

( ১৯ )

নাহিবি হুনাই সিদিনাৰ নিশা,
অতি ভয় লগা তই;
নিঠুৰ হাতেৰে গলি দুটিকেই
অকালতে ছিঙি লই।

( ২০ )

গজিছিল এটি জুপি পাৰিজাত,
ধৰিছিল দুটি কলি;
কি কৰিলে তোৰ? কিয় তই হেৰ
তাকে সৰ নোৱাৰিলি?

( ২১ )

মালতী, মালতী, সংসাৰ নহয়
তোমাৰ আচল ঠাই,
ফুলৰ লগত বোৱাঁ স্বৰগত,
কাৰো হাত তাত নাই।

শ্ৰীসিংহদত্ত দেৱ অধিকাৰী।

---



# জুগুলী মৰিল কিয়?

তুমি যদি শোধা, জুগুলী নো কোন? আৰু জুগুলী নো মৰিবলৈ উপজিছিল কেতিয়া? সেই প্ৰশ্নৰ উত্তৰ মই নিদিওঁ; কাৰণ জুগুলী কোন আছিল, বা কি আছিল, তাক সকলোৱে জানে। অৱশ্যে নিজ খুচীতে কব লাগিলে মই কম, যে জুগুলী এখন কাকত, আৰু সি ওলাইছিল। তুমি চকুত চামনি লৈ দেখা নাছিলা যদি, জগৰ কাৰ গাত? জুগুলী ওলাইছিল তল-চকুৰালৈ হে, ওপৰ-চকুৰালৈ নহয়।

পৰিদৃশ্যমান বস্তু মায়া, অসত্য, ইন্দ্ৰজাল, মিথ্যা। এইটো বেদান্ত আৰু জুগুলী সম্পাদক এই দুইৰো মত। Materialism অৰ্থাৎ বস্তুতন্ত্ৰতা ধৰ্মপ্ৰাণ জাতিৰ হিচাপৰ ভিতৰত নাই। বস্তুক আমি মায়া বুলি জানো; আমাৰ পক্ষে ভাব হে সত্য পদাৰ্থ। মোৰ কথা মানা যদি মানা নামানা যদি শঙ্কৰাচাৰ্য্যৰ শাৰীৰক ভাষ্য চোৱাঁ, দেখিবা, দুইৰো ভিতৰত কেনে মিল। য়ুৰোপে অব্যক্তক অজ্ঞেয় বুলি ঠেলি থয় আৰু ব্যক্তকেই একমাথোন সত্য বুলি আশ্ৰয় কৰে। আমি ভাৰতবাসীয়ে কিন্তু সেই ব্যক্তটোৰ ধাৰকে নেধাওঁ. অব্যক্তৰ ৰহস্যহে আমাৰ আগত যুকলি। সেই তুৰীয় অৱস্থাত আমি তেত্ৰিশ-কোটী ভাৰতবাসী থাকি, নিয়ম, যম, প্ৰাণায়াম অভ্যাস কৰি, থিয়জফি, হটযোগ, মন্ত্ৰ তন্ত্ৰ ইত্যাদি কৰি, এই ভৌতিক জগৎ পৰিত্যাগ কৰি "এষ্ট্ৰেল প্লেন"লৈ উৰি যাবলৈহে আমাৰ চেষ্টা হোৱা উচিত, কাৰণ তেতিয়া মাৰী, মৰক, মেলেৰিয়া আদি একো উপচক্ৰই আৰু আমাক নেপায়। সেই উপচক্ৰবোৰ পৃথিবীৰ বস্তু, পৃথিবীত থকাইহে তাৰ প্ৰতিকাৰৰ কাৰবাৰ কৰিব লাগে, নথকাৰ নিমিত্তে সেই চিন্তা অনৰ্থক।—এই নিমিত্তে কওঁ যে জুগুলী ওলাই আছিল, কিন্তু তুমি জুগুলীক নেদেখিলা; কাৰণ তোমাৰ চকুত চামনি।

জুগুলী কিয় মৰিল বুলি শুধিলে, মৰাৰ কাৰণ তিনটা দিব লাগিব; কিয়নো, তিনি সাক্ষীত প্ৰমাণ ওলমা দেখা যায়। প্ৰথমটো,—পইচাৰ অভাৱ। পইচাক শঙ্কৰাচাৰ্য্যৰ অগ্ৰগামীসকলে অৰ্থ বুলিছিল দেখি শঙ্কৰাচাৰ্য্যই তাক অনৰ্থ বুলি থলে; কাৰণ, "নতুন কিবা কৰাঁ"। জুগুলীৰ

সম্পাদক শাঙ্কৰী ; সেইদেখি যেতিয়া তেওঁ জুগুলীৰ ভৰণ-পোষণৰ নিমিত্তে অগত্যা সেই অনৰ্থক অৰ্থ বোধ কৰিব লগীয়া হল, তেওঁ তাক নিজে স্পৰ্শ নকৰি কৰণ কাৰকৰ সহায় লৈ তদ্বাৰাই সংগৃহীত আৰু লোহ পেটিকাৰ ভিতৰত অৱৰোধিত কৰাৰৰ বন্দবস্ত কৰিছিল। কিন্তু অনৰ্থ সদায় অনৰ্থ। জুইৰে ধেমালি কৰিবলৈ গলে সি হাত পুৰিবই। সেইদেখি জুগুলীৰ হকে অনৰ্থৰে সৈতে হাটবাট কৰোতাসকলৰ ভিতিত সি ওলমি লাগি গল। মূঠতে সি গোটখাই অণ্ডাকৃতি হৈ লোৰ পেৰাৰ বাহত পৰাৰ আগেয়ে ফুটি পাখি লগা পোৱালি হৈ উৰিল.—ফলত জুগুলী মৰিল।

১৯১১ চনৰ পিয়লৰ মতে আসামত মানুহৰ লেখ ৭০৫৯৮৫৭। ইয়াৰে ভিতৰৰ. ব্ৰহ্মপুত্ৰ-ভৈয়ামৰ ভাগত পৰিছিল ৩১০৮৬৬০ ; সুৰমা-ভৈয়ামৰ ভাগত ২৯৬২৮৩৮, পৰ্ব্বতীয়া অঞ্চলৰ ভাগত ১,০০৮৩৫০। অসমীয়া ভাষাৰ হিচাপত পৰ্ব্বতীয়া দহলাখ মছ খালে ; আৰু সুৰমা-ভৈয়ামৰ চাৰে-উনত্ৰিশ লাখও Deserters অৰ্থাৎ ভগনীয়া পলৰীয়া বণুৱাৰ লেখত পৰিল। পিছত কোৱা এই সাহিয়াল বণুৱা কেইলাখে আসামৰ ধ্বজা পতাকা এক ৰকম দলিয়াই পেলালেই ; কোঠ এৰিও পলাওঁ পলাওঁ কৰিব লাগিছে ; মাথোন ৰজাৰ দঁড়িত পৰা নাই ; ৰজাৰ পালীপহৰীয়াই পহৰা দি নথকাহেঁতেন এতে-ৰজাৰ দিনে এই বণুৱাসকলে পলাই বঙ্গালাৰ মলুক পাই "লাটু বাবু ছাটু বাবুৰ" ঘাটত নামি, গঙ্গা পাৰ হৈ গৈ "বঙ্গাল বাবুৰ" ৰজাৰৰপৰা মছামাছ কিনি লৈ গৈ "আহাৰীতলা ঘাটত" বান্ধি আহাৰ কৰি "হেদুৱা তলাৰ" গছৰ তলত বহি "কত কাল পৰে বল ভাৰত ৰে" গীত ধৰিলেহেঁতেনেই। এতেকে দেখা গল যে অসমীয়া ভাষাৰ Body guard হৈ নিগাজীকৈ ৰল মাথোন— ব্ৰহ্মপুত্ৰ-ভৈয়ামৰ ভাগত পৰা সেই একত্ৰিশ লাখ প্ৰাণী, যাক তোমাৰ মন গলে তুমি "তুকক্ চোৱাবো" বুলিব পাৰা।

ৰবৰকৰা জোৰৰ ভকত। বিজোৰ হৈ তেওঁ ফুৰিবলৈ নাৰাজ। পাৰৰ জোৰ তেওঁৰ আহি জোৰ সেইদেখি তোমালোকে তেওঁক কিবা এটা বিশেষণ দি মাতিব খুজিলে তেওঁক পাৰজুৰীয়া ৰবৰকৰাও বুলিব পাৰা যাওক, —৩১০৮৬৬৯ এইটোৰ জোৰ নাই, সেইদেখি তেওঁ নিজৰ সুবিধাৰ নিমিত্তে তাক বিজোৰ গুচাই ৩০ লাখ কৰি লবাল বাধ্য হল। তুমি তাত



আপত্তি নকৰিবা, কাৰণ কৰাটো উচিত নহয়,— আৰু কৰিলে তুমিয়েইহে ঠগ খাবা, কাৰণ তেতিয়া সেই ভাগ কৰিবলৈ তেওঁ তোমাক হে কৈ দিব, আৰু তুমি ভাগ কৰোঁতে কৰোঁতে ভগ্নাংশ আৰু দশমিকত পৰিলে অৰ্থাৎ vulgar fraction-অত পৰিলে তুমিয়েইহে vulgar ভলগাৰ অৰ্থাৎ নীহ নাম পাবা, তেওঁ নেপায়। আৰু দশমিকলৈ ৰবৰকৰা কেতিয়াও নেযায়, কাৰণ দশমী বিসৰ্জ্জনৰ দিন ; ৰবৰকৰাৰ স্থান,—হয় পূৰ্ণিমা, নহয় আউহী। পূৰ্ণিমাত তেওঁৰ মুখত কান্তি, আউহীত তেওঁৰ প্ৰাণত শান্তি।—যাওক, এতিয়া এই ত্ৰিশ লাখ নিৰহ-নিপানী অসমীয়া হৈছে অসমীয়া ভাষাৰ বণুৱা। ৰবৰকৰাই মন কৰিছে যে এই ত্ৰিশ লাখৰ আদখিনি তিৰুতা, আৰু বাকী থকা আদখিনিৰ আদখিনি লৰা আৰু নৰীয়া। গতিকে সেইবো। যুজত অপাৰগ। তেনে হলে আমি হিচাপত পালোঁ ১৫ লাখ, আৰু ১৫ লাখৰ আদখিনি ৭½ লাখ কামিলা অসমীয়া বণুৱা। ৭½ লাখৰ আদলাখকো আমি বটা--বকৰা—চুণৰ মকৰা বুলি এৰিলোঁ। বাকি যি সাত লাখ থাকিল, তাৰ ৫ লাখক আই সৰস্বতীৰ অচিনাকী বুলি নহয় এৰিলোঁ। তেনেহলে থাকিল দুলাখ। ৰবৰকৰা সাৱধানী মানুহ, সেইটো লক্ষ্য কৰাসকলে দেখিছে। সেইদেখি যাতে হিচাপত ভুল নহয় তাৰ নিমিত্তে তেওঁৰ হিচাপৰ ফাটত সোমাবৰ ভয় থকা, নাইবা হিচাপ কৰোঁতে হাতৰপৰা উফৰি পৰা বা চিটিকি যোৱাৰ ভয় থকা, নাইবা হিচাপৰ চুকত বা তলিত লাগি থাকি হেৰোৱাৰ ভয় থকা এলাখক তেওঁ এৰি দিলে। এতিয়া থাকিল গোট বণুৱা এলাখ। এই লাখ জানিবা অসমীয়া ভাষাৰ "নাৰায়ণী সেনা"। একলাখ অসমীয়া ভাষাৰ নাৰায়ণী সেনা যদি জুগুলীৰ গ্ৰাহক হয়, তেন্তে জুগুলীৰ মালিকৰ ২ লাখ টকা জুগুলীৰ ভৰ্যালত গোট খায়। মাহে জুগুলীৰে সৈতে জুগুলীৰ আপুটিয়েকৰ খৰচ যদি এহেজাৰ টকাও ধৰা যায়, তেন্তে বাৰ মাহত বাৰ হেজাৰ টকা গৈও, জুগুলীৰ "ফণ্ডত" একলাখ আঠাশী হাজাৰ টকা থাকে। এই টকাৰে অনেক কাম হয়। জুগুলীৰ ছাপাখানা, টিঙৰ ঘৰ আৰু আপুটিয়েকৰ লৰা ছোৱালীৰ বিয়া পৰ্য্যন্ত হৈ গৈও আৰু বিস্তৰ থাকে হে। কিন্তু অসমীয়া ভাষাৰ নাৰায়ণী সেনাই জুগুলী নললে! বেচ নিদিলে!' সেইদেখি জুগুলী মৰিল!

আৰু এটা কাৰণ কওঁ,——টিকিধৰৰ শৰ্ম্মা জুগুলী কাকতৰ প্ৰাচীন "এজেণ্ট।" জাননী ওলাল,—এই এজেণ্টৰ হাতত গ্ৰাহকসকলে জুগুলীৰ বেচফেৰা দিলেই সি জুগুলীৰ কৰায়ত্ব হব। কিন্তু গ্ৰহবৈগুণ্যত সি জুগুলীৰ কৰায়ত্ব নহৈ "দুৰায়ত্ব" হল। জুগুলীৰ গ্ৰাহকৰ টকাই টিকিধৰ নামৰ বাঁহৰ জপনা ডেব নোৱাৰি, তাত টক্‌টক্ কৰে লাগি উফৰি পৰে, আৰু টিকিধৰে হেৰা-পোৱা টকা বুলি তাক বুটলিবলৈ ধৰে, আৰু খোচোনাত সুমাবলৈ ধৰে। কালক্ৰমত টিকিধৰ-জপনা টিকিধৰ-ধনগুলৈ হল; আৰু সেই ধনগুলৈৰে সৈতে জুগুলীৰ ব্যৱধান বাঢ়ি গৈ ছয়ো দুইতৰ ছুপাৰে থিয় হল। ধনৰ টোপোলাটো টিকিধৰে নৈৰ মাজত পৰাৰ ভয়ত দলিয়াই ইপাৰলৈ দিব নোৱাৰাও হল আৰু নিজে দি আহিবলৈ যাবলৈকো পাৰ-নাৱো নোপোৱা হল; দলং তো নায়েই। টিকিধৰে জুগুলীৰ বিত্তক উদৰস্থ কৰিলেও, তেওঁৰ চিত্তক লোকে ধৰ্ম্মীষ্ঠ বোলে; কাৰণ তেওঁ পূজা কৰি শালগ্ৰাম শিলাৰ পাদোদক ভক্ষণ কৰি দিয়ে দেখি সেই বিত্ত পেটত পৰি পিত-পানী উজাৰ খাই নোলায়। তেওঁ তেওঁৰ গুৰু আমুকা অধিকাৰৰ বিত্ত অধিকাৰ প্ৰভুক ভুৰ্য্যাদি ভক্ষণ কৰিও, গুৰুজনৰ পাদোদকেৰেই সেই পিত্ত প্ৰশমন কৰাৰ খ্যাতি আছে।—এতেক জুগুলী মৰিল, এইটো কথা ঠিক। জুগুলীক কেতিয়াবা ন-কৈ উলিয়াব লাগিলে, এই টিকিধৰক আৰু এজেণ্ট পতা নেযায়। এইটোও ঠিক যে, এইবাৰ ৰবৰুৱাই গাৱে গাৱে নগৰে নগৰে খোদ "চক্ৰদ কুৰি" জুগুলীৰ যৌতুকত একলাখ গ্ৰাহক দি ছলাখ টকা সংগ্ৰহ কৰিব, তাৰ উপৰি স্বহস্তে ভি, পি আৰু মনিঅৰ্ডৰ গ্ৰহণ কৰি টিকিধৰৰ শাৰীৰ এজেণ্টবৃন্দক মনাকচু দিব।

জুগুলীৰ মৃত্যুৰ আৰু এটা কাৰণ কবলৈ পাহৰিছিলোঁ, কৈ থওঁ— অসমীয়া ছাত্ৰ কবিয়ে "পিতা মাতা পৰম গুৰু। সূতা কাটে সৰু সৰু॥" এই জাতৰ তিনিখন কবিতা লেখি জুগুলীত ছপা কৰিবলৈ পঠিয়াই দিছিল। জুগুলীৰ সম্পাদকে তিনিউখন কবিতা লৈ গৈ ফটা-কাকতৰ পাচীৰ মৈদামত দি থলে। ফলত তিনি কবিৰ তিনটা খং উঠিল—বৰ, সৰু আৰু মাজু খং। বৰ খঙৰ গৰাকীজনে খঙৰ ভমকত, জুগুলী কাকতখন পুৰি, তাৰ ছাইসোপা এটা লেফাপাৰ ভিতৰত সুমাই সম্পাদকলৈ ডাকত



পঠিয়াই দিলে। মাজুখঙৰ গৰাকীজনে সম্পাদকক, স্থলত নিজৰ ক্লাচতে বহি পঢ়ি থাকোঁতে বৰকৈ গালি পাৰি দিলে। আৰু সৰু খঙৰ মালিকে বেজাৰত তেনে কবিতাকে লিখিবলৈ এৰি দি, থাকিব নোৱাৰি একো উপায় নেপাই তেওঁৰ ককালত হোৱা খৰ ডোখৰকে খজুৱাবলৈ ধৰিলে। কিন্তু এইবোৰ "হেনো" হে, "ঠিক বেঠিক" কব নোৱাৰোঁ।। কিন্তু কলত যে জুগুলী মৰিল, সেইটো ঠিক।

জুগুলী মৰাৰ আৰু এচিকটা কাৰণ আছিল,—জুগুলী মঙ্গলবাৰে "বাৰ বেলা" উপজিছিল। তাৰ উপৰি জুগুলীৰ গাত আগৰ ছুখন কাকত মৃতকৰ ছুপাট পুহকৰ লাগি আছিল। সেই বাৰবেলা আৰু পুহকৰ কেইপাটে গোটগাই জুগুলীক পাতল কৰি লোকক পেংলাই কৰা স্বভাৱৰ কৰি পেলালে। কিন্তু লোকলৈ বুলি হল চাচি পুতিলে নিজেই তাতে ফুটি মৰে বুলি কয়। জুগুলীয়ে লোকক হাঁহোঁতে সেইদেখি জুগুলীৰো শেহটো তেনে গতিৰ হল। জুগুলীয়ে লোকক হাঁহোঁতে হাঁহোঁতে নিজৰ সম্পৰ্কে হাঁহিটোও এদিন ইমানকৈ উঠিল, যে তেওঁ হাঁহোঁতে হাঁহোঁতে তেওঁৰ পেটুনাড়ী সোপাই ছিগি গল, আৰু তেওঁ মৰি থাকিল!

ৰূপাবৰ বৰবৰুৱা।

---

## অদ্ভুত জাতি।

১

আমি কোন জানানেহে হেৰা পাঠক ভাই?
অসমীয়াৰ মাজত আমাৰ অতি ওখ ঠাই;
আমি হেনো কাহানিবাৰে "বাদচাহৰ" নাতি,
অসমতে আছোঁ হই অসমীয়া জাতি!

২

আজিকালি কেনে হৈছোঁ তাৰে অলপ কথা
কই যাওঁ মন কৰি শুনি যোৱা, যথা—

কিন্তু আকউ কওঁ তুমি শুনা কাণ পাতি,
কেনেনো প্ৰধান আমি অসমীয়া জাতি !

৩

যেতিয়া পূবেদি উঠে বাতিপুৱাৰ বেলিটি,
ওচৰৰ চুবুৰীয়া উঠে সকলোটি ;
তেতিয়াহে আমাৰ হয় সলাবৰ কাতি,
বুজিছানে কেনে আমি অসমীয়া জাতি !

৪

দুপৰ হলেহে বেলি আমি সাৰ পাওঁ,
লৰালৰিকৈ উঠি অলপ "চা-নাস্তা খাওঁ ;
তাৰ পাছত সেওঁতা কাঢ়ি থুৰিয়াওঁ ধুতি.
দেখিছানে আমি কেনে অসমীয়া জাতি !

৫

জাতিত আমি অসমীয়া কিন্তু মাত হে খিছিৰি,
উৰ্দ্দু ফাৰ্চি অসমীয়াৰে পুৰাওঁ কথাবাৰি ;
তাতেই আমি ধন্য মানো তাকেই ঘুঁটিখাঁটি
"বাহবা-বা ক্যায়চা" আমি অসমীয়া জাতি !

৬

"আৰবী" পঢ়োঁ ভাটৌৰ দৰে "নামকা ওৱাস্তে"
সেই ভাষাতেই সুৰ ধৰোঁ তাকো আস্তে আস্তে ;
"লেকিন জবৰ দস্ত" কেতিয়াবা হলে পিটাপিটি,
"গোস্বা" ভৰা "হৰদম" আমি অসমীয়া জাতি !

৭

"উৰ্দ্দু" আমাৰ মাতৃভাষা "এ ক্যায়চা বাট—"
উপজিয়েই শুনো দেখোন অসমীয়া মাত ;
অসমীয়া সাজ পাৰ কিন্তু মূৰত টুপীটি,
কেনে "খবচুৰত" আমি অসমীয়া জাতি !



৮

অসমীয়া পঢ়োঁ কিন্তু চৰ্চ্চাহে নকৰোঁ,
ইচ্ছা যদি কৰোঁ তাকো সহজেই পাৰোঁ ;
নকৰোঁ কিয়নো ইযে নহয় "আচ্ছা খাঁটি"
"উচ্ কে ক্যা" নকৰিলেও আমি সদায় অসমীয়া জাতী !

৯

লোকে পাৰি থাকিলেও সাহিত্যোৰে গালি,
কই দিওঁ পাৰি থাক, যাব আলিয়ে আলি ;
"দৰ্কাৰ" কিহেঁ আমি কৰা চুপতাচুপতি,
নিৰীহ সদায় আমি অসমীয়া জাতি !

১০

আমি কিন্তু গোঁফ ৰাখি সদায় খুৰাওঁ দাঢ়ি,
সভাতে বঢ়াওঁ "ফেচন" যিমানেই পাৰি ;
ভাল এৰি বেয়া ধৰোঁ খাঁটি এৰি মাটি,
লোকে বোলে আমাকেই অসমীয়া জাতি।

১১

বহুতেও আমি ধৰ্ম্মৰ নেধাৰোঁ ধাৰ,
চল পালে মাজে সময়ে "নিচা" কৰোঁ পাৰ ;
তাকো দিনত নহয় বুইছানে কেতিয়াবা ৰাতি,
গম পালানে কেনে আমি অসমীয়া জাতি !

১২

ধাৰ্ম্মিকো আছে আমাৰ ভিতৰত কিন্তু বহুত কম,
"তফাৎ" তেওঁলোক আমাৰপৰা দেখোঁ "ক্যায়চা" যম ;
তেওঁলোক কিন্তু খাঁটি আমিহে আহিলোঁ কাটি,
সেইহে আমি মোধোৰ-মোধোৰ অসমীয়া জাতি !

এম, মোছলেহ উদ্দিন আহমদ।

---

## গান।

বকুল বন্দুলী আছে ফুলি ফুলি,
ৰংমনে মালা গাঁথি পিন্ধাহেঁ নগৰী ॥
চোৱাঁ সখী কেনে শোভা,
যোগীজন মনলোভা,
বলিয়া ভোমোৰা চোৱাঁ ফুলে ফুলে উৰি ;
বই বই মউ পিয়ে নাচে ঘুৰি ঘুৰি ।
মধুৰ বসন্ত বুলি,
নাচিছে ডালত কুলি,
ঢালিছে অমিয়া সুৰ কত ঢৌ ধৰি ;
নিলেহে নিলেহে সখী মন প্ৰাণ হৰি ।
প্ৰেমিকৰ প্ৰেম বীণা,
বাজে ৰিণি ৰিণি শুনা,
সুৰতে মিলাই সুৰ টানিছে ৰাগিনী ;
মলয়া বলিছে আহাঁ লগেঁ গৈ জিৰণি ॥

শ্ৰীচেণী।

---

## ব্ৰহ্মজ্ঞানী শিশু।

মাথোন বছৰ চাৰি থাকি সংসাৰত।
কেনেকৈ পালা শিশু পৰম গিয়ান ?
পকালোঁ মূৰৰ চুলি, কটালোঁ জীৱন,
নোৱাৰিলোঁ হবলৈ তোমাৰ সমান।
সামান্য হানিতে শিশু, সামান্য বচনে,
পাৰোঁ মানে লওঁ মই প্ৰতিকাৰ তাৰ।
সি কথা থাকোক তুমি থাকা মনে মনে,
চাই যদি লবলই জীৱন তোমাৰ।



ডিঙিত তীখাল অস্ত্ৰ মাৰি যি জনৰ,
সাধিব পাৰোঁহে মই মনৰ তৃপিতি ;
তেনে শত্ৰুককো তুমি আদৰা সাদৰে,
আনন্দত ধৰা গৈ ডিঙিত সাৱটি।
ধুনীয়া বসন আৰু ধুনীয়া ভূষণ,
পাৰোঁ মানে পিন্ধো মই ধুন পেচ মাৰি ;
কোমল সুন্দৰ দেহ উদঙাই তুমি
দেখুৱা শকতি ধূলি মাটিতে বাগৰি।
অজাতি অশুচি বুলি ঘিণ কৰোঁ যাক,
পাপ বুলি ভাবোঁ ছাঁত ভৰি দিয়া যাৰ,
তাৰেই ডিঙিত ধৰি বং কৰা নিতে,
ভৰিত পেলাই মূৰ থাকা গই তাৰ ;
যাক দেখি বুকু মোৰ কঁপে থৰথৰি,
আঁতৰি পলাওঁ মৰণৰ ভয় কৰি ;
তালৈকে এতিলো ভয় নোপজে তোমাৰ,
আন কি বিষাল সাপো গাত লোৱা আৰি।
ধনৰ লোভত মই কত কি যে কৰোঁ,
দিনে ৰাতি ফুৰি থাকোঁ হাবাথুৰি খাই ;
ভৰিৰে উজুটি মাৰি দিয়া সি ধনক,
হাতত দিলেও তুমি দিয়া দলিয়াই।
সুখত আনন্দ আৰু দুখত বেজাৰ,
প্ৰশংসাত হাঁহি আৰু নিন্দাত শপনি ;
একোতে নকৰা একো থাকা একেদৰে,
একোতে নলৰে সেই মুখৰ গঠনি।
কোনে দিলে শিশু এনে মহৎ গিয়ান,
কেনেকৈ হলা তুমি এনে আত্মজ্ঞানী ?
শিকোৱাঁ শিকোৱাঁ মোক তোমাৰ মহত্ত্ব,
কাৰ মন্ত্ৰ জপা তুমি আপোনাআপুনি ?

দেখা নাই পঢ়াশালি, ফুৰা নাই দেশ,
থকা নাই কোনো দিন সাধুৰ সঙ্গত,
কাৰ শিকনিত তুমি হলা এনেকুৱা,
ভাঙি-পাতি কোৱা শিশু আমাৰ আগত ?

শ্ৰীঘনশ্যাম শৰ্ম্মা।

---

## আগৰ কথা।

আসাম চাহৰ নিমিত্তে বিখ্যাত। চাহ-গছ আসামৰ হাবিত বনৰীয়া গছ হৈ আছিল। চাহগছৰ কথা অনেকে ভুকে নেপাইছিল। পোন প্ৰথমে চীন দেশতহে চাহৰ কথা জনাজাত হয়। আসামৰ হাবিত চাহ-গছ আছেনে নাই তাৰ প্ৰমাণ চাবৰ নিমিত্তে আদিতে এজন ইংৰাজে মানুহৰ হতুৱাই নানান ৰকমৰ গছ-পাত অনাইছিল। যি অনেক বিধৰ গছপাত সৰহকৈ আনিছিল সিয়ে সৰহকৈ পইচা পাইছিল। আৰু পাত অনা গছ বিলাকৰ চিন ৰাখি আহিবলৈ তেওঁ কৈছিল। এই দৰে কেইবাদিনো নানাবিধ গছ-পাত আনি থাকোতে এদিন এটাৰ হাতত চাহ-গছৰ পাত আহিছিল। সেই দিনাই আসামৰ চাহ গছ হাবিতে ইংৰাজেৰে চিনাকি হয়। ইয়াৰপৰা লাহে লাহে আসামত চাহ-খেতি হবলৈ আৰম্ভ হল।

প্ৰবাদ আছে, জয়ন্তয়তে বিলাতত চাহ ওলাওতে তাৰ মানুহে তাৰ ব্যৱহাৰ হেনো নেজানিছিল। চাহ পাতবোৰ সিজাই তাৰ পানীখিনি পেলাই শীতাখিনিত চেনি গাখীৰ মিহলাই খাইছিল।

আগেয়ে আসামত এনেকুৱা কিছুমান শিক্ষা আছিল যে সেইবিলাকৰ কথা শুনিলে আজিকালি অসমীয়াৰ পেটতে হাত ভৰি লুকায়। আজি কালি ঠায়ে ঠায়ে যিবোৰ বৰ তোপ পৰি আছে সিও অসমীয়া কমাৰেই গঢ়িছিল। ইকৰা খৰিৰ এঙ্গাৰেৰে ছুৰ ছুকুৰি পালি, ওজা অক বন-মালিয়েই লো খুন্দি টহিলং কৰাৰ কথা ভাবিলে ভীত।

আসাম ৰজাৰ দিনৰ মঠ-দেৱালয় পুল সাকো আদি পকি কামবিলাক প্ৰকৃততে মজবুত আৰু স্থায়ী আছিল। সেইবোৰ ফপহটা লাক-পাক ইটাৰ



হোৱা হলে ইমান দিনলৈ ৰমক জমক হৈ যোক চা যোক চা কৰি নেথাকিল হেঁতেন। শিলবিলাক যে কাঠ কটাদি কাটিছিল সেই কথা মূৰ্ত্তিবিলাকলৈ চকু ফুৰালেই বুজিব পাৰি। হাঁহ-কণী, বৰালি মাছ, বৰা চাউল, মাটি মাহ, মোৱা আলু, কলীয়া লতাৰ পাত আদিৰে কৰাল দি আগৰ দিনত হেনো ইটা তৈয়াৰ কৰা আৰু তাৰে গাথনি কৰা হৈছিল। যিহি হবৰ নিমিত্তে তৈয়াৰি ইটাৰ ওপৰত ঘিলা ফুৰাব লাগিছিল।

প্ৰতিবছৰেই মাঘ মাহ সোমোৱা মাত্ৰই ৰজাৰ ঘৰত আমৰ মল, ভলুকা বাঁহৰ গাজ আৰু চেঙা মাছৰ পোনা দেখুৱাব লাগে। তাৰ নিমিত্তে নিৰ্দ্দিষ্ট মানুহ নিযুক্ত আছিল। গছে ফল-ফুল গাজ থোৰ আদি নিয়ম মতে দিছেনে নাই, হাৱা পানী বতৰৰ গতি কেনে, প্ৰজাই প্ৰতিপাল কৰিছেনে নাই ইত্যাদি জানিবলৈকে বোধ হয় এইবিলাক নিয়ম।

আগৰ ৰজাৰ দিনত কাম অনুযায়ী মানুহৰ শৃঙ্খলা আছিল। সেই নিমিত্তে কোনো কাম আউল নলগাকৈ যথাসময়ত পৰিপাটিকৈ সমাধা কৰিব পাৰিছিল। কামেপতি বিধে বিধে মানুহ নিযুক্ত আছিল, সেই বাবে মানুহবিলাকে নিজ নিজ কাম দক্ষতাৰে সৈতে চলাব পাৰিছিল; নিজৰ কৰ্ত্তব্য বুজি উঠিছিল।

শ্ৰীভ্ৰমৰ শইকীয়া।

---

## সোণোৱাল জাতি।

( ৩ )

পূৰ্ব্বকালত সোণোৱাল কৈদৰ মানুহ হিন্দুৰ শাক্ত ধৰ্ম্ম মতে চলাৰ প্ৰমাণ পোৱা যায়। সেই কালত এই কৈদৰ মানুহৰ ভিতৰত এজোন অতি জ্ঞানী মানুহৰ উদ্ভৱ হৈছিল। তেওঁক মানুহে গজাই বুলিছিল। তেওঁ ভূত ভবিষ্যৎ সকলো কথা কব পাৰিছিল। সকলো মানুহে গজাই দেৱক গুৰুতুল্য মানিছিল আৰু ভক্তি কৰিছিল। এই গজাই দেৱক

কোনেও ভাঙিব বা পাতিব নোৱাৰিছিল। নিজে গুজি আবিৰ্ভাব হোৱাৰ দৰে হোৱা বাবেই তেওঁক গজাই বুলিছিল।

আদিতে এই সমাজৰ নাম-ঘৰ আছিল নে নাই কব নোৱাৰোঁ, কিন্তু সেই কালত গোসানীশাল আছিল, গাৱঁৰ মাজত কোনো অমঙ্গল হলে সেই সেই শালত হাঁহ ছাগ দি পূজা কৰিছিল।

আজিকালি হলে প্ৰত্যেক গাৱত একোটা নামঘৰ বা কীৰ্ত্তনঘৰ আছে। বছেৰেকৰ ভিতৰত ভূঁই কই, আৰু বোৱা কই উঠি আৰু বহাগৰ বিহুৰ পিছত, এই তিনিবাৰ বাইজে পইচা চাউল আদি তুলি এই কীৰ্ত্তন ঘৰত হৰিকীৰ্ত্তন কৰে আৰু নামঘৰৰ বাহিৰে ভোজ খায়।

গাৱঁৰ ভিতৰত মাৰি মৰক হলে বেছিকৈ হৰিকীৰ্ত্তন আৰু ভোজ পাতে। গাৱঁত হাইজা বসন্তই দেখা দিলে কলগছৰ ভুৰ সাজি নামঘৰৰপৰা সাজি লৈ গৈ কোনো নৈ বা বিলত উটাই দিব লাগে। এই ভুৰৰ ভিতৰত নানা ৰকমৰ ফুল প্ৰসাদ ফল মিঠৈ আদি নৈবিদ্য দিব লাগে। ভুৰ উটাবলৈ নিয়াৰ সময়ত কীৰ্ত্তনৰ পদ লগাই হৰিনাম গাই যোৱা হয়। ভুৰ উটাই উলটি আহোতে পিছলৈ উলটি চাবৰ নিয়ম নাই। তাৰ পিছত নামঘৰলৈ আহি হৰি নাম গাই সবাহ ভঙা হয়। গাৱঁত হাইজা বেমাৰ হলে, বেমাৰ ভাল নহয় মানে কীৰ্ত্তনঘৰত ৰাতি এবাৰ আৰু দিনত এবাৰ দুবাৰ নাম লয়। আৰু সেই সময়ত নানা বিধ বস্তুৰ উপহাৰ দি ঈশ্বৰৰ উদ্দেশ্যে সেৱা কৰা হয়।

নামঘৰত থাপনাত, কীৰ্ত্তনঘোষা, নামঘোষা, স্যমন্তহৰণ, লীলামালা; গুণমালা বা ৰত্নাৱলী পুথি নাইবা যেই সেই শাস্ত্ৰ এখান স্থাপন কৰি লয়। বোধকৰোঁ আউনীআটি সত্ৰৰ সেৱক হোৱাৰপৰাইহে এইবিলাকে নিয়মৰ প্ৰবৰ্ত্তন হৈছে। এতিয়া পৰমাৰ্থী বা ভাগৱতী ধৰ্ম্ম গ্ৰহণ কৰি সত্ৰৰ আদেশ মতে সকলোৱে ঘৰেপতি নামঘৰ সাজি লৈ তাত কীৰ্ত্তন আৰু একোখন শাস্ত্ৰ স্থাপন কৰি পুৱা গধূলি ঘোষা কীৰ্ত্তন পাঠ কৰি হৰি কীৰ্ত্তন কৰিছে। নামঘৰ দিনেপতি লিপি শুচি কৰে। ইয়াৰ ভিতৰত কোনেও বাহীগাৰে নোসোমায়।

আউনীআটিৰ অধিকাৰ গোস্বামী পূজ্যপাদ দত্তদেৱ পুৰুষৰ সময়ত



৺ভোলানাথ গাওঁবুঢ়া নামেৰে এজন বুঢ়া মানুহ শইকীয়াই মালা গ্ৰহণ কৰি যিমান মালা লেখিবৰ নিয়ম সিমান লেখি শেষ কৰি পুনৰ পুৰুষত পৰীক্ষা দি উত্তীৰ্ণ হৈ ঘৰলৈ উলটি আহি তেৰাৰ পিছতে স্বৰ্গগামী হয়। এইজন বৃদ্ধলোক গোসাঁইঈশ্বৰৰ বৰ বিশ্বাসী ভকত আছিল। এওঁ অন্তিমৰ সময়ত হৰিনাম উচ্চাৰণ কৰিহে ইহধাম ত্যাগ কৰিছে।

এই ধৰণৰ আৰু এজন পুণ্যাত্মা পুৰুষ আছিল। এইজন পুৰুষক লিখকে সৰুৰেপৰা দেখা পাইছিল। ইয়াত লিখা ঘটনাটি প্ৰকৃত ঘটনা। এই ধাৰ্ম্মাত্মাজন যদিও আউনীআটিৰ সেৱক আছিল, মলাকাৰণ হলে মহাপুৰুষীয়া এলেঙ্গী সত্ৰৰ মহন্তৰপৰা লৈছিল। ধাৰ ঋণ কৰি ৰবদোৱা খানত এটা চাউলৰ ভোজনী দি গৰু মহ ধন বস্ত্ৰআদি সম্পত্তি লাভ কৰি ঈশ্বৰ চিন্তা কৰি মৰিবৰ সময়লৈকে সুখেৰে খাই গল। তাৰ শেষত তেওঁৰ দীক্ষাগুৰু শালমৰা কুমাৰগাৱঁত থকাৰ খবৰ পাই গুৰুৰ উদ্দেশ্যে কাপোৰ-কানি ধন বস্ত্ৰ লৈ গৈ গুৰুৰ সাক্ষাৎ হৈ ইহধামৰপৰা বৈকুণ্ঠগামী হল। এই জন ধৰ্ম্মাত্মা সোণোৱাল হাজাৰৰ মাজত মহৎ লোক আছিল। এইদৰে এই সমাজৰ কেইবাজনো পুণ্যবান পুৰুষে ধৰ্ম্মৰ চানেকী দেখুৱাই গৈছে।

পোন-প্ৰথমে এলেঙ্গী মহাপুৰুষীয়া সত্ৰৰ গোণামৰা মহন্তই সোণোৱাল কৈদৰ মানুহক পৰমাৰ্থী পন্থত দীক্ষিত কৰে। তাৰপৰা আজিকালি নিজ গুৰু আউনীআটি সত্ৰৰপৰা মলাকাৰণ বা ধৰ্ম্মৰ শিক্ষা পাইছে। বৰ্ত্তমান কালত সকলো সোণোৱালে নিজ গুৰুত শৰণ ভজন লৈ ধৰ্ম্ম প্ৰবৰ্ত্তন কৰিছে, যিসকলে মালা লৈছে সেইসকলে অন্য দেৱ-দেৱী নামানে।

যদিও এই সমাজৰ মানুহে কোনো কোনো গাৱঁত পুৰণি প্ৰথা মতে গোসানীশাল পূজা সেৱা কৰিছে, তেওঁলোকৰ সংখ্যা আজিকলি যোল অনাৰ এক অনা মানহে হব। বাকি পোন্ধৰ অনা বৈষ্ণৱ ধৰ্ম্মানুসাৰে চলিছে। এই সমাজৰ মানুহে কীৰ্ত্তনঘোষা পুথিক বৰ বিশ্বাস আৰু শ্ৰদ্ধা কৰে।

সকলো সোণোৱালে পাৰিবাৰিক মঙ্গলাৰ্থে বছৰেকৰ ভিতৰত এবাৰ গাঁৱৰ বাইজক চপাই কীৰ্ত্তন পাঠ কৰে। তেতিয়া গুৰ গাখীৰ জলপান ভকতসকলক খুৱাব লাগে। ইয়াকে কীৰ্ত্তন কৰা বোলে। এই সকামত কল, কুহিয়াৰ, মাহ, চাউল আৰু মিঠৈ আদি নৈবেদ্য বস্তু গুৰু

মন্ত্ৰেৰে উছৰ্গা কৰি গৃহস্থই সেৱা কৰে। এইবিলাক শেষ হোৱাৰ পিছত বৰগীত মাতি প্ৰসঙ্গীয়া নাম আৰু কীৰ্ত্তনৰ এআধ্যা বা দুই আধ্যা লগাই নাম লয়। উপদেশ মাতি নাম সামৰণি মৰিব; ন আধ্যা বা ততোধিক আধ্যা কীৰ্ত্তন পাঠ কৰিব। কীৰ্ত্তনৰ আধ্যাইপতি দক্ষিণা দি সেৱা কৰিব লাগে। দুই জন বা তিন জন লপ লাগি জাত লগাই পুথি পঢ়িব আৰু গৃহস্থই একান্তমনে শুনিব। কীৰ্ত্তন পাঠ কৰা নিৰ্দ্দিষ্ট আধ্যা শেষ হলে গোটেই-ঘৰ মানুহ সৰ্ব্বাঙ্গে প্ৰণিপাত হৈ দীঘল দি পৰি সেৱা কৰে। সমাজত থকা ভকতসকলে পৃথক পৃথককৈ গৃহস্থৰ মঙ্গল কামনা কৰি আশীৰ্ব্বাদ কৰে। আশীৰ্ব্বাদৰ শেষত গোসাঁইৰ আগত দিয়া নৈবিদ্যবিলাক এজন বা দুজন ভকতে সকলোকে ভগাই দিয়ে, তবে পাছত সকলোকে জলপান খুউৱা হয়। জলপান,--কোমলচাউল,—গুৰ, গাখীৰ আৰু কল। জলপান খাই উঠি ভকতসকল ঘৰাঘৰি যায়। কেতিয়াবা ৰাতিপুৱাহে কীৰ্ত্তন গোৱা ভাগে। এই উপলক্ষে ৰাতিপুৱা মাছ বা কাছৰে ৰাইজক ভোজ খুৱায় আৰু ভোজৰ অন্তত প্ৰত্যেক ভকতক পাণ তামোল আৰু শক্তি অনুযায়ী দক্ষিণা দি বিদায় দিয়ে।

মলা পোৱা বৃদ্ধসকলে ৰাতিপুৱা গাধুই মুৰ আচুৰি গোসাঁইঘৰত ধূপ—ধুনা লগাই আস্ত ব্যস্তে যোগাসনত বহি মন্ত্ৰ জপ কৰি উঠি শঙ্কৰ দেৱ কৃত গুৱমালা বা বৰগীত মাতি নামত ধৰিব। কোনো মলা লোৱা ভকতে গোসাঁইৰ আগত মাহ প্ৰসাদ দি নাম সেৱা কৰে।

ভকতসকলে নাম সেৱা কৰি উঠি—প্ৰথমে বৰগীত মাতি প্ৰসঙ্গীয়া নাম ধৰিব তাৰ পিছত কীৰ্ত্তনৰ এটা নাম দি উপদেশ মতি নাম সামৰে। নাম গাই উঠিহে ভাত বা জলপান খাব। ভকতে দিনত এই খিনি নিত্য কাম নকৰাকৈ একোক নেখায়। গধুলি মাইকীমানুহে গোসাঁইঘৰত শলা লগাব। আৰু বৃদ্ধসকলে ওপৰত কোৱা দৰে গোসাঁইঘৰত সোমাই ৰাতিপুৱাৰ দৰে নাম কীৰ্ত্তন কৰি ভাত খাই ঈশ্বৰ আৰাধনা কৰিহে শোৱে।

পূৰ্ব্বে কোনো এসময়ত আউনীআটি সত্ৰৰ ৺বৈৰাগী নামেৰে এজন গোসাঁই সদিয়া চহৰলৈ গৈছিল। সদিয়াত এই গোসাঁইজনৰ লগত সেই



সময়ত গজাই দেৱৰ বাদ প্ৰতিবাদ হয়। গজাই দেৱে কলে “যদিহে বৈষ্ণৱ এটি প্ৰধান ধৰ্ম্ম তেনেহলে আপুনি তাৰ প্ৰভাৱস্বৰূপে এটি প্ৰমাণ দেখুৱাওক, নচেৎ যদি ইচ্ছা কৰে মোক কওক মই দেখুৱাওঁ। ৺বৈৰাগী গোসাঁয়ে কোনো প্ৰমাণ নেদেখুৱালে। তেতিয়া গজায়ে ব্ৰহ্মপুত্ৰ নৈ থন বিনা নাৱেৰে পানীৰ ওপৰে ওপৰে খোজ কাঢ়ি পাৰ হৈ দেখুৱালে, আকৌ পুনৰ ঘূৰি আহিল। তেতিয়া গোসাঁইজনে গজাই দেৱৰ মহাত্মা দেখি আচৰিত মানিলে। তেতিয়া দুয়োজন মাহাত্মাই একেলগে বহি ৰাতি পৰমাৰ্থিক বিষয়ে আলচ পাতিছিল। ৰাতিপুৱা কিন্তু তেওঁবিলাকৰ এজনকো দেখা নেপালে আৰু তেওঁবিলাক এই দৰে অদৃশ্য হৈ কলৈ গল কোনেও একো গম নেপালে। তেওঁৰ ভুলবৰ নিমিত্তেই আউনীআটী সত্ৰৰ ৺কেশৱদেৱ গোসাঁই সদিয়া চহৰলৈ আহি কুণ্ডিল নৈৰ পাৰত উক্ত গোসাঁইৰ নামানুসাৰে ৺বৈৰাগী মঠ বুলি এখান থান পাতি দিলে। তেখেতেই এই থানত বংশীবদন মূৰ্ত্তি এখানি স্থাপন কৰি দিয়ে। এইখানে সোণোৱালফৈদৰ দ্বাৰাই নিয়ম মতে সেৱা পূজা পাই থাকে। এইথনৰ পূজাৰীস্বৰূপে এই সমাজৰপৰা এজন দেউৰীও তেখেতে নিযুক্ত কৰি দিয়ে। আৰু সেই দেউৰীক পূজা চলাবৰ উপকৰণ আৰু শিক্ষা দিবলৈ যায়। সেই সময়ৰপৰা তিনিশ বছৰ যাবত সোণোৱাল সকলে এই থান চলাই আহিছে। প্ৰথমে এই বৈৰাগী মঠ আৰু দেউৰীজনক গুৰু তুল্য ভক্তি আৰু শ্ৰদ্ধা কৰিছিল। আৰু সেই সময়ত তেওঁ ধৰ্ম্ম শিক্ষাও দিছিল।

যি সময়ৰপৰা ৺কেশৱদেৱ গোসাঁৱে সোণোৱালসকলক শৰণ ভজন দি দীক্ষিত কৰে, সেই সময়ৰপৰাই ৰাইজে গজাইদেৱৰ কথা বৰকৈ নমনা হল। তেতিয়া গজাই দেৱৰ কথা পগলা মানুহৰ কথা বুলি উৰাই দিবলৈ ধৰিলে। এদিন এই সমাজৰ কেইবাজন মুদৈয়ে গুৱাহাটীত নাৱেৰে বেহা-বেপাৰৰ কৰিবলৈ ওলাইছে, এনে সময়তে গজাই জনে ময়ো যাওঁ বুলি নাৱতে উঠি ললে। এইবাৰে মানুহ কেইজনে মনে মনে বৰ বেয়া পাইছিল। কাৰণ তেওঁবিলাকে আশঙ্কা কৰিছিল যে যদি এই পগলাটোক লগত লৈ যোৱা যায় তেন্তে কেতিয়াবা বেহেৰুৱা বস্তুতে সি জুই লগাই দিব। এই সন্দেহৰ বশবৰ্ত্তী হৈ মুদৈকেইজনে গোপনে

আলচ পাতি ইয়াকে থিৰ কৰিলে যে কোনোমতে চল কৰি এটা চাপৰিত গজাইজনক এৰি থৈ যাব লাগিব। বাস্তৱিকতে কিছুদুৰ গৈ তেওঁবিলাকে তাকে কৰিলে। তাৰ পিছত নাৱৰীয়াবিলাকে যি ঠাইত নাও চপাবৰ নিমিত্তে মন কৰি গৈছিল, গজাই দেৱে সেই নিৰ্দ্দিষ্ট ঠাইত সিহঁত গৈ পোৱাৰ আগেয়েই গৈ বৰ নাৱ এখানত থম থমকৈ বহি আছে। নাৱৰীয়াবিলাকে ইয়াকে দেখি বৰ অদ্ভুত মানিলে আৰু মনে মনে বৰ লাজ পালে। তেতিয়া গজাই দেৱে কলে "তহঁতে মাক বিশ্বাস নকৰা হৈছ, এই কাৰণে হে মই প্ৰমাণ দেখালোঁ। তাৰ পিছত তেওঁ বৰ ডাঙৰ নাও দুখান লৈ সদিয়ালৈ উজাই আহিল।

আসাম দেশত ইংৰাজ ৰাজত্বৰ আৰম্ভনতে প্ৰায় ( ১৮০০—২৫ চনত ) শেষৰ গজাই দেৱ জনে ৰাইজক কোৱা আছে—বোলে "ধনৰ এটা আলি, সোণৰ এটা আলি আৰু কাপোৰৰ এটা আলি পশ্চিম ফালৰপৰা বান্ধি আনিছে—এই দেশত ধন সোণ বহুত পৰিমাণে হব। এইবাৰ ৰায়তৰ গৰখীয়াজন শকত হব। বাঘে গৰু খাব বুলি ভয় নাই"। এইবোৰ পগলা মানুহৰ কথা বুলি ৰাইজে ভাবিছিল। এতিয়া সকলোৱে তাৰ প্ৰমাণ পাই আচৰিত হৈছে।

ৰেলথন যে আহিব তাৰো তেওঁ পূৰ্ব্বে আভাস দিছিল। হাতীৰে যে হাতীক ধৰি বাখিব পাৰি তাৰ দৃষ্টান্তস্বৰূপে কাপোৰৰ জৰি বাটি মানুহকে গছত বান্ধি দেখুৱাইছিল। চাহ পাতৰ যে এটা মহৎ কাৰবাৰ হব সেই বিষয়েও তেওঁ তেওঁৰ ভৱিষ্যৎ জ্ঞানৰ চিনাকী দিছিল। তেওঁ এটা গোদৰ খৰাহীত পানেমানে গছৰ পাতবোৰ ছিডি আনি শুকাই ৰাইজক কৈছিল "ৰাইজসকল, এইবোৰ কি বুজিছানে? এইবোৰেই সময়ত ধন—সোণ হব"। টেলিগ্ৰাফৰ বিষয়ে তেওঁ বাটে বাটে খুটি পুতি তাত জৰি দি দেখুৱাইছিল। এই অনুক্ৰমে এতিয়া ইংৰাজ গৱৰ্ণমেণ্টৰ দিনত ৰায়তে যি যি সুবিধা ভোগ কৰিছে তাৰ প্ৰায়বিলাককে সাধাৰণে বুজিব নোৱৰা শক্তেতেৰে দেখুৱাই থৈ গৈছিল।

শেষৰ এই গজাইজনৰ তিৰোভাৱ হোৱা আজি প্ৰায় আশী বছৰ মানহে হৈছে। আমাৰ আগৰ মানুহে এওঁৰ আৰু পূৰ্ব্ব গজাইবিলাকৰ



কথা বলিয়াৰ দৰে বুলি ভাবিছিল, কিন্তু এতিয়াহে আমাৰ মানুহে তাৰ তাৎপৰ্য্য বুজিব পাৰিছে গজাই দেৱৰ আৰু ভালেমান কথা আছে। বাহুল্য বিবেচনা কৰি আৰু লিখা নহল।

গজাই দেৱৰ সম্বন্ধে ওপৰত লিখা কথাবিলাক সোণোৱালৰ ভিতৰৰ যেয়ে সেয়ে কব পাৰে। সাক্ষাতে দেখা বুঢ়া মানুহৰ মুখৰপৰা লিখকে এই-বিলাক কথা নিজ কাণে শুনিছে।

---

# এখন চিঠি।

ডাঙৰীয়া,

দেশ কাল আৰু অৱস্থা দেখি আপোনাক দু আষাৰমান কথা কবলৈ আগ বাঢ়িলোঁ; অৱশ্যে আশা কৰোঁ যেন আপুনি বেয়া নাপায়। মানুহ যে বিষম এই কথা আপোনাক বহলাই কব নালাগিব। দোষী কৰোঁতা মানুহ, হিংসা কৰোঁতা মানুহ, কুচৰিত্ৰবান কৰোঁতা মানুহ, খং তুলি দিওঁতা মানুহ, মিত্ৰ ভাবৰ ছলনাৰে মহান শত্ৰুতা-অস্ত্ৰ লৈ বুকুত অস্ত্ৰাঘাত কৰোঁতা মানুহ। মোটৰ ওপৰত যতবিলাক অমঙ্গল হব পাৰে সকলোবিলাক কৰিব পাৰে মানুহে। মানৱ-বিজ্ঞানৰ এনে তত্ত্ব বুজিয়েই নে কি মহাবীৰ নেপোলিয়নে অসম্ভৱ শব্দটো কেৱল মূৰ্খবিলাকৰ অভিধানত হে পোৱা যায় বুলি কৈছিল। কিন্তু বিশেষকৈ ইয়াত এনে মানুহৰ সাক্ষাৎ মিনিটে মিনিটে। ইয়াৰ মানুহ "আন বুলি আন কৰে অসাত্ত দুৰ্জ্জন।" মানুহৰ দয়া মমতা ইমান কম যে, কি আচৰিত! ভয়ানক বিপদ-সাগৰত পৰি কেঁকাই থাকিলেও পূৰ্ব্বে উপকাৰ পোৱা মানুহেও যে এবাৰ চকুমেলি চাব তাত বৰ সন্দেহ। মানুহে পহুমাৰিবলৈ যাওঁতে একে নাৱৰেপৰা কোনো মানুহ কেনেবাকৈ পানীত পাৰিলেও লগৰ মানুহে তালৈ নাচাই কেৱল পহুলৈহে চোচা লয়। হাবিত মানুহ নে পহু নিৰ্ণয় নকৰাকৈয়ে জাঠিৰে হানিবলৈ প্ৰস্তুত। জাঠিৰে পহু হানিবলৈ ধৰোঁতে যেতিয়া পহুৱে আত্ম সমৰ্পণ কৰি কৰুণ ক্ৰন্দনৰে চকু পানী টুকি মানুহৰ মুখলৈ একেথৰে

চাই থাকে, তেতিয়া মানুহে সেই অহিংসুক কোমল পহুৰ কোমল প্ৰাণত যমৰ মূৰ্ত্তিৰে জাঠি মাৰে। হায়! পৰম পিতা পৰমেশ্বৰৰ ৰাজ্যত মানুহ কিমান নিষ্ঠুৰ! সেইদেখি কওঁ পশু পক্ষীৰপৰা মৰম চেনেহ পালেও মানুহৰপৰা পোৱা টান। যদিও পায় সিও কিবা এটিৰ বিনিময়হে মাথোন। ইয়াত মই দেখিলোঁ মানুহে 'চপাই আন মুচৰি খাওঁ" জানে আৰু অনেক অন্যায় উপায় অৱলম্বন কৰি "লোকক ভাণ্ডি, মৰাৰ ছাল টানি" খাব জানে। কিন্তু যে কিবা দয়া—ধৰম কৰিব লাগে তাত অলপো মন নাই। এই ঠাই যে অসুৰৰ দেশ সেইটো সঁচা। গতিকে ইয়াত বসতি কৰা মানুহেও যে অতীতৰ স্বভাৱৰ লগত মিল নাৰাখিব তাত সন্দেহ কি। মোৰ মনৰে হলে স্বৰ্গ আৰু নৰক পৃথিবীতে। মানুহে ইচ্ছা কৰিলে—অৱশ্য ঈশ্বৰৰো অনুগ্ৰহ হব লাগে—পৃথিবীতে স্বৰ্গ কৰি লব পাৰে। পবিত্ৰতা আৰু শান্তিৰ অৱস্থায়েই স্বৰ্গ। লেতেৰালি আৰু অশান্তি বা দুখ দিগদাৰৰ অৱস্থায়েই নৰক। কব পাৰেনে সংসাৰৰ জালাত পৰি কোনে এদিনো মৰিবলৈ ইচ্ছা কৰা নাই বা সেই সময়ত প্ৰাণকে বিসৰ্জ্জন দি তেনে অৱস্থাৰ পৰা উদ্ধাৰ পাবলৈ আশা কৰা নাই? তেন্তে সেই সময়ত সেই ঠাইৰ নাম কি দিব পাৰি? নৰক দিব নোৱাৰিনে?

আগেয়ে মই সকলোকে সমান দেখিছিলোঁ, মানুহ বুলিলেই মোৰ হৃদয় বিগলিত হৈছিল, কাৰো দোষ ধৰিবলৈ মন নগৈছিল, সকলোকে সমানে ভাল পাইছিলোঁ। অৱশ্যে তেতিয়া মই নিজৰ ঘৰ আৰু পঢ়া শুনাৰপৰা আঁতৰ হৈ মানুহৰ লগত ফুৰা নাছিলোঁ। কিন্তু এতিয়া নানাৰকম মানুহৰ লগত ফুৰাত, নানা ৰকম মানুহ আৰু তেওঁলোকৰ স্বভাৱ আৰু কাৰ্য্য দেখি সেই মনৰো বিকাৰ ঘটিছে।

বৰ্ত্তমান ডাঙৰ কি সৰু সৰহ ভাগ মানুহৰ চৰিত্ৰ চাই ইয়াকেহে পালোঁ যে তেওঁ যেনে তেনে উপায়েৰে টকা পইচা আৰ্জ্জি—অৱশ্য কবলগীয়া সৰহ ভাগ উপায় চাতুৰ্য্যপূৰ্ণ—নানাৰকম কল কৌশলেৰে আনক উৎপীড়ন কৰি শেষত আপোনাক ডাঙৰ প্ৰমাণিত কৰে। হায় তত্বজ্ঞানত মানুহ ইমান তলৰ খাপত পৰি আছে যে ভাবি চালে আচৰিত হব লাগে। আপুনি অপকাৰ নকৰিবৰ নিমিত্তে আঁতৰ হৈ



থাকিলেও আপোনাক অপকাৰ কৰি জোকাই লব। নিজে চৰ মাৰি চৰ খায় অথচ আগেয়ে লোকক চৰ মাৰি বৰ ডাঙৰ কাম কৰিলে বুলি ভাবে।

আৰু বিশেষকৈ খুলি কবলৈ হলে আপুনি এবাৰ নজৰ দি ডাঙৰ অথবা লেখা পঢ়া জনা বিদ্বান মানুহসকলৰ মাজতো চাব পাৰে। তেখেতসকল যদিও দয়া ধৰ্ম্মৰ কথা চিয়ঁৰি চিয়ঁৰি বক্তৃতাত কব পৰা তথাপি তেনে কথা মুখত হে, অন্তৰত নাই। কথাত আছে কাৰ্য্যত নাই। কাৰো হয়তো মনত থাকিব পাৰে কিন্তু তেখেত নিৰুপায় বা অৰ্থহীন, তেখেতে বিষয়টি হাতত নলয় বা লব নোৱাৰে। আৰু এটা কথা—এজন নাম-অলা উকিল আছে। তেওঁ ধৰ্ম্মিষ্ঠ, পৰোপকাৰী, জ্ঞানী আৰু ডাঙৰ মানুহ বুলি বিখ্যাত। কিন্তু তেওঁ সময়ে সময়ে বা বন্ধৰ সুযোগত দুখীয়া মানুহৰ "বায়না" এসোপা হাতত লৈ "গৃহাভিমুখে গতি" কৰে। কাজেই দুখীয়াই পুনৰ ধন ভৰি অন্য উকিল ধৰি নিজৰ কাৰ্য্য সমাধা কৰিব লগাত পৰে, নহলে সোপায় যায়। সেই-দেখিহে কওঁ বোলোঁ সঙ্গ ভয়ানক। আপোনাৰ পক্ষে মই সৰলান্তঃকৰণেৰে কব খোজোঁ যে নিজৰ খোজ কেইটো চাই দিব।

মোৰ পক্ষে হলে কথা কোনোটোও বৰ বিপদজনক হৈ উঠিছে। যেয়া অভ্যাসটি এৰিবলৈ ধৰি ভালটি লব খুজিলে বাহাদুৰি হয়, হ-আষাৰ পেটৰ কথা খুলি বেজাৰ কৰি কলে "বিদ্যাজাহিৰ" কৰা হয়, বাক্য-বৰ্ষণলৈ পিঠি দেখুৱাই নামাতি থাকিলে গপ কৰা, নাচালে কণা, নকলে বা উত্তৰ নিদিলে বোবা, দোষটি দেখুৱাই দিলে অহঙ্কাৰী, বেয়া পাই খণ্ড কৰিলে পগলা, টান পাই শুশুনিবলৈ ইচ্ছা কৰিলে কলা, নাখালে মুখ নোহোৱা হব লগাত পৰোঁ। গতিকে মই এতিয়া কিংকৰ্ত্তব্যবিমূঢ় হৈ পৰিছোঁ। সেইদেখি মই আপোনাক কওঁ, আপুনি যি ভাবে ভাবক, মোক যি বোলে বোলক, যাতে আপুনি মোৰ দৰে অশান্তিত নপৰে তালৈ চকু দিব।

আমাৰ কিবা উপকাৰ কৰিব পাৰোঁ বুলি মিনতি, প্ৰাৰ্থনা যুক্তি আৰু বল সোপাকে দেখুৱাই অনেক চেষ্টা কৰিলোঁ। কিন্তু হায়! সকলো গল অহল্লামে। নাযাব না কিয়? যত স্বাৰ্থপৰতাৰ মাত্ৰা পূৰ্ণতাত, যত উন্নতিৰ পথ প্ৰদৰ্শন "বিদ্যাজাহিৰ" বা বলিয়ালি, যত এজনক এজনে এপাট এপাট টান বাক্য-বাণ মাৰিব পাৰিলেই এটি মহৎ কাম কৰা বুলি ভাবে,

যত ন্যায় জহন্নামে গৈছে, যত মই হে ডাঙৰ বা আমি সাৰ্ব্বভৌম বুলি প্ৰকাশ কৰাটোৱেই উদ্দেশ্য, যত ভুল বা দোষৰ স্বীকাৰ নাই, যত "অহং দেৱ নচান্যো মি ব্ৰহ্মৈৱ ন শোক ভাক" ভাৱ বিৰাজমান, যত নিজৰ মতেই সৰ্ব্বশুদ্ধ বুলি প্ৰাধান্য লবলৈ যায়, যত "ন জাতি পূজ্যতে ৰাজন্‌গুণাঃ কল্যাণকাৰকাঃ" কথাষাৰলৈ মন নাই, যত সাম্যৰ সিংহাসন নাই কিন্তু বৈষম্যৰ প্ৰকোপ বেছি. যত সত্যৰ অনুৰোধত দোষ স্বীকাৰ কৰিও আওপাকেদি অনৰ্থক বাক্য বৰ্ষণেৰে নিজৰ দোষ উঠাই দিয়াত তৎপৰতা আছে, যত কথাৰ চুপতি, মুখৰ মাহিলা, বক্তাৰ হিচাপ আৰু ডাঙৰ গাৰ স্থিৰতা বা জড়ত্ব আছে, তাত এনে নহৈ কি হব পাৰে? তেনে ঠাইত "পয়ঃ পানং ভুজঙ্গানাম্" নহৈ কি হব পাৰে? যত ভেমৰ দ্বাৰাই জাগতিক সত্য অপমানিত, যত আত্মাভিমানৰ পৰাকাষ্ঠা, যত হিংসানলৰ দ্বাৰাই গুণ ভস্মীকৃত, যত পৰোপকাৰৰ নাম শুনিলেই গাত দাবাগ্নি জ্বলে বা খাণ্ডৱ দাহ হয় বা "দেহলাও ভগা" যেন পায়, যত উদ্যম, সাহ, কাৰ্য্যকাৰিতা আৰু উৎসাহ বৃদ্ধি নাই, যত প্ৰত্যেকেই ধন মান যশ লাভ কৰিবৰ নিমিত্তে নিজৰ বৃত্তি চৰিতাৰ্থ কৰিবলৈ তৎপৰ তাত উন্নতিৰ কি আশা কৰিব পাৰি? যত সত্যৰ আদৰ নাই, গুণৰ সন্মান নাই আৰু যত ন্যায় আৰু যুক্তিযুক্ত কথাৰ মূল্য নাই, তাত কি লাভ, কি আনন্দ, কি সুখ আৰু কি উন্নতি হব পাৰে?

ধৰ্ম্ম আৰু ভালপোৱাত মগ্ন হবলৈ যদিও চেষ্টাত আছোঁ, তথাপি তেনে হব নোৱাৰোঁ। কিয়নো ধৰ্ম্মৰ অৱস্থা "নান্নং ন বস্ত্ৰম্।" আৰু ডাঙৰৰ লগত ভাল-পোৱা গুণৰ চেলেকা দেখি ভয়লগা হৈছে। ধৰ্ম্ম এতিয়া বাৰেমিহলি। সত্য ধৰ্ম্মত যিমান পাৰে সিমান বেয়াবিলাক সোমাই কৰাইগুৰি আৰু তুঁহ-গুৰিৰ মিহলি দশা পাইছে। ভাল পোৱাৰ বিশদ অৰ্থ কৰিবলৈ হলে সৰু হৈ ভয় বথা; যাৰপৰা ভালপোৱা পাবলৈ আশা কৰে তেওঁক হৰ্ত্তা কৰ্ত্তা বিধাতা পতা, পাইচাৰে মাজে সময়ে "মিঠাই খোৱাত" বিচি দিয়া অহা যোৱা কৰি থকা;—তেওঁৰ সকলো দেখা; কাচিতো তেওঁৰ অলাগতীয়াল নোহোৱা; এনে নিয়মত পাতিলেহে ভাল পোৱাৰ বৰ্ত্তমান মানে পোৱা যায়।

আমাৰ অৱনতি কিয়?—এই কথাষাৰৰ সমালোচনা কৰিবলৈ যাওঁতে



বিষম সমস্যাত পৰিব লাগে। সকলোৱেই জানে জাতিগত ধৰ্ম্মানুসাৰে উন্নতি বা অৱনতি হয়। যেতিয়া ধৰ্ম্মৰ বান্ধ কট্‌কটীয়া হৈ থাকে তেতিয়া বহু প্ৰাণৰ সমষ্টি এক হৈ থাকে—লক্ষ্য ঠিক থাকিলে কাৰ্য্যও ঠিক থাকে। এতিয়া মূলতে আমাৰ লক্ষ্যৰ স্থিৰতা নাই। গতিকে "লক্ষ্যশূন্য লক্ষ বাসনা ছুটেছে গভীৰ আঁধাৰে।" এই লক্ষ্য ঠিক নথকাৰ গুৰি হৈছে গুণৰ আদৰ নাই, গুণৰ সন্মান নাই আৰু গুণৰ পূজা নাই; ইয়াৰ লগে লগে গুণৰ কাৰ্য্যৰো সন্মান নাই। এইটোৱেই আমাৰ কুলক্ষণ।

আমি কাহানিবাৰেপৰা জেলেমত পৰি আছোঁ। জেলেমৰপৰা মুকলি হৈ ওলাই জেলেমৰ অসাৰতা প্ৰমাণ কৰি কৰ্ত্তব্য-পথ দেখুৱাওঁতাক দেখিও আমি জেলেমৰ হাত সাৰিব পৰা নাই। ইয়াৰ কাৰণ কি? হিংসা নহয়নে? স্বাৰ্থ-পৰতা নহয়নে? সত্যৰ অৱমাননা নহয় নে? মুখৰে পূজা কৰি অন্তঃকৰণৰে সুপূজিলে সি কপটীয়া কাৰ্য্য নহয় নে? বিবেকে বুজিও পথ প্ৰদৰ্শকৰ পথে নগলে তাক মদগৰ্ব্বী নোবোলে নে? এনে স্থলত কায়, বাক্য, মন আৰু চিত্তৰ ঐক্য বা মিল কেনেকৈ হব পাৰে? এনে ঐক্য বিহীন হলে বহুপ্ৰাণৰ সমষ্টি বা একতা কেনেকৈ হব পাৰে? সমষ্টি নাথাকিলে বা সমষ্টি প্ৰাণত বিকাৰ থাকিলে সত্য ধৰ্ম্ম ভজুৱা হয়। ধৰ্ম্ম বা আচল পথত কাৰ্য্যবিলাকৰ অঙ্গবিলাক ক্ৰমে ক্ৰমে শিথিল হয়। এনে অৱস্থাবোধক সময়ৰ কাৰ্য্য-সোঁত প্ৰবল হলে অৱনতি অনিবাৰ্য্য! গতিকে নিভাঁজ আৰু সত্য ধৰ্ম্মৰ অৱমাননা বেছিকৈ হয়। নিভাঁজ আৰু সত্যধৰ্ম্ম প্ৰচাৰক মহাপুৰুষসকল। যেতিয়া সত্যৰ অৱমাননা হয়, সত্ত্বৰ ঠাই নোহোৱা হয়, সাধাৰণৰ ধৰ্ম্মজ্ঞান তমোভাৱেৰে পৰিপূৰ্ণ হয় আৰু অধৰ্ম্মৰ প্ৰধান্য দোপত দোপে উধাবলৈ ধৰে, তেতিয়া মহাপুৰুষ উদ্ভৱ হৈ সৰ্ব্বসাধাৰণক একেটি বাটেদি চলাই ধৰ্ম্ম আৰু দেশোপকাৰ দুইকো কৰি যায়! যি ঠাইত এনে মহাপুৰুষ উদ্ভৱ হয় সেই ঠাই ঈশ্বৰৰ বিশেষ কৃপা পোৱা। অসমো এনে ঐশ্বৰিক কৃপা পোৱা। পিছে যি এই অসমক এটি শুদ্ধ আৰু সত্য পথত চলাই আৰু চলিবলৈ দি গৈছে, এতিয়া তেওঁক বুজিও সুবুজাত পৰিছে। লোকক দেখুৱাই স্বাৰ্থ-সিদ্ধি কৰিবৰ নিমিত্তে তেওঁ দি যোৱা পোছাক পিন্ধে কিন্তু অন্তৰত তেওঁক নিজৰ

কৈ হীনতাৰ পোছাক পিন্ধায় বা তেওঁকে সেব্য মানি নিজে সেৱক হৈ পদ বা জাতিগত আত্মাভিমানত তেওঁক সেব্যৰ অনুপযুক্ত ভাবি আত্মোন্নতি বা শান্তিৰ গছ আপনাৰ অনুপযুক্ততা-কুঠাৰেৰে কাটি পূৰ্ব্বৰ অন্ধকাৰ অৱস্থা পাবলৈ খেপিয়াই ফুৰে। যি ধৰ্ম্মৰ ঈশ্বৰ—

অব্যক্ত ঈশ্বৰ হৰি কিমতে পুজিবা তাক
ব্যাপকত কিবা বিসৰ্জ্জন।
এতাবন্ত মূৰ্ত্তিশূন্য কোনমতে চিন্তিবাহা
ৰাম বুলি শুদ্ধ কৰা মন॥

এই ভাৰত অৱস্থিত সেই ধৰ্ম্মতে আকৌ জাতি, অৱস্থা বা বিষ্ঠাৰ তেম দেখুৱা নিচতা, জ্ঞানহীনতা বা মূৰ্খতাৰ পৰিচয় দিয়া নহয় নে? পিতৃক দেখিও বা জানিও চিনি নোপোৱাটো বা নজনাটো পিতৃৰ ভুল বা দোষ নে? পিতৃৰ তিথিৰ দিনা সন্তানে হাল বোৱাটো বা সেই দিনা ঈশ্বৰৰ গুণ কীৰ্ত্তন নকৰাটো কাৰ মূৰ্খামি? কোনোবাই হয়তো এই ঠাইত এনে কথা কব পাৰে আগৰেপৰা আমাৰ এটা চলিত নিয়ম আছে, সেই নিয়ম জ্ঞানী আৰু সিদ্ধপুৰুষসকলৰ অনুমোদিত আৰু প্ৰবৰ্ত্তিত; সেই মতে আমি ডাঙৰ আৰু সেই নিয়ম মতে নচলিলে আমাৰ অনেক বিষয়ে সুচল আৰু সুবিধা নহয়। ইয়াৰ উত্তৰত মই ইয়াকে কব খোজোঁ।ঃ—যি যুগ বা কালত সেই সিদ্ধ পুৰুষসকল আছিল এতিয়া সেই যুগ বা কাল নহয়; এতিয়া সেই সিদ্ধ পুৰুষ নাই; এতিয়া তেনে আচাৰ ব্যৱহাৰৰ দিন নহয়। আৰু বিশেষকৈ জাগতিক সত্যাই যাক ডাঙৰ বোলে, যুক্তিয়ে যাক ডাঙৰ বোলে, জ্ঞানে যাক ডাঙৰ বোলে, ধৰ্ম্ম বিচাৰত যি ডাঙৰ, কাৰ্য্যত যাৰ অতিমানুষিকী বা অমানুষিকী শক্তি প্ৰকাশ পাইছে, তেওঁতকৈ মানুহৰ মাজত আন কোনো ডাঙৰ নহয় বা হব নোৱাৰে। আৰু যদি কোনোবাই কয় যে জগৎপ্ৰসিদ্ধ ঋষি-মুনিসকলে নিবন্ধন কৰা জাতি শ্ৰেষ্ঠতকৈ আন কোনো ডাঙৰ হব নোৱাৰে। কিন্তু তেনেলোকক যে তেনে প্ৰসিদ্ধ ঋষি মুনি সকলেও ডাঙৰ বোলা নাই এনে নহয়। মই সেইজনক কওঁ যে তেওঁৰ সেইটো ভুল আৰু তেৰেইহে বা তেনে লোকেইহে তেনে ঋষি-মুনি নমস্কৃত জনক আগেয়ে অৱমাননা কৰিছে বা কৰে। কিয়নো "জাতি



শ্ৰেষ্ঠৰ" ক্ষত্ৰিয় ৰাজা ৰাম বা ক্ষত্ৰিকুলমণি শ্ৰীকৃষ্ণ ঈশ্বৰ নহলহেঁতেন, কিম্বা ক্ষত্ৰিয় ৰজা দক্ষৰ দুহিতা দুৰ্গা বা কালী ঈশ্বৰী নহলহেঁতেন। তেন্তে দোষ কত? অতীতত নে বৰ্ত্তমানত? আৰু যদি কোনোবাই কব খোজে সকলোৱে অৰ্থাৎ ঋষি-মুনি-বামুণ সজ্জন আৰু শাস্ত্ৰাদিয়ে ডাঙৰ বুলিলেও কিম্বা ঈশ্বৰাৱতাৰ বুলিলেও জাতিমতে তেনেলোক গুৰু হব নোৱাৰে, কিয়নো "গুৰু অগ্নি দ্বিজাতিনাং বৰ্ণানাং ব্ৰাহ্মণো গুৰু গুৰুঃ।" তেনে জনক মই কেইখনমান পুৰাণ ভালকৈ পঢ়িবলৈ কওঁ আৰু ইয়াৰ লগতে এই আৰাৰ কথাও কওঁ যে তেওঁ "আঠাইশ সহস্ৰ ঋষি বেদত পাৰ্গত। গুৰু মানি সুতত সুধিলা ভাগৱত "এই কথাৰাৰলৈকো চোৱা উচিত। ইয়াৰ লগতে সুবিধা পাই এই আৰাৰ কথাত কৈ থওঁ যে ভাগৱত আদি লাগতীয়াল অনেক শাস্ত্ৰত হিন্দুৰ প্ৰধান দেবদেবীৰ মুখ-বিনিসৃত বুলি ঘোৰ স্বাৰ্থপৰতা পূৰ্ণ অনেক কথা আছে। সেইবিলাক কথাক বা শ্লোকক "প্ৰক্ষিপ্ত" বুলি নোৱাৰি। কিয়নো তেনে শ্লোকবিলাকৰ ভাব সাধাৰণতঃ অৰ্থ সঙ্কীৰ্ণতা-ব্যঞ্জক। ইয়াৰ উদাহৰণ যেনে—

সহযজ্ঞাঃ প্ৰজাঃ সৃষ্ট্বা পুৰোবাচ প্ৰজাপতিঃ।
অনেন প্ৰসবিষ্যধ্ব মেষ বোহস্ত্বিষ্ট কামধুক্॥
দেবান্ ভাবয়তানেন তে দেবা ভাবয়ন্তুবঃ।
পৰস্পৰং ভাবয়ন্তঃ শ্ৰেয় পৰমবাপস্যথ॥
ইষ্টান্ ভোগান্ হি বো দেবা দাস্যন্তে যজ্ঞ ভাবিতাঃ।
তৈৰ্দত্তা ন প্ৰদায়েভ্যো যো ভুঙ্‌ক্তে স্তেন এব সঃ॥
যজ্ঞাশিষ্টাশিনঃ সন্তো মুচ্যন্তে সৰ্ব্ব কিল্বিষৈঃ।
ভুঞ্জাতে তে ত্বঘং পাপা যে পচন্ত্যাত্মকাৰণাৎ॥
অন্নাদ্ভৱন্তি ভূতানি অৰ্জ্জ্যাদন্ন সম্ভবঃ॥
যজ্ঞাদ্ভৱতি পৰ্জ্জন্যো যজ্ঞ কৰ্ম্মসমুদ্ভবঃ।
কৰ্ম্মব্ৰহ্মোদ্ভবং বিদ্ধি ব্ৰহ্মাক্ষৰ সমুদ্ভবম্।
তস্মাৎ সৰ্ব্বগতং ব্ৰহ্ম নিত্যং যজ্ঞে প্ৰতিষ্ঠিতম্॥
এবং প্ৰবৰ্ত্তিতং চক্ৰং নানুবৰ্ত্তয়তীহ যঃ।
অঘায়ুৰিন্দ্ৰিয়াৰামো মোঘং পাৰ্থ স জীৱতি॥

ভগবদ্গীতা— তৃতীয়োঽধ্যায়ঃ।

গীতা জ্ঞানৰ আকৰ, আৰু পুৰাণ দৰ্শনাদি শাস্ত্ৰৰ সাৰাংশ সমালোচনা আৰু সিদ্ধান্ত। শাস্ত্ৰ, জ্ঞান আৰু কৰ্ম্মৰ শেষ আৰু চৰম সিদ্ধান্ত নিষ্কাম ভক্তি। এইকথা বাহাল ৰাখিবৰ নিমিত্তে বৃহন্নাৰদীয় পুৰাণৰ তিনটি শ্লোক আৰু প্ৰথম স্কন্ধ ভাগৱতৰ এফাকি পদ তুলি দিলোঁ।

ন দানৈর্ন তপোভির্বা যজ্ঞৈর্বা বহুদক্ষিণৈঃ।
ভক্তিহীনৈ মুনিশ্রেষ্ঠ তুষ্যতে ভগবান্ হৰিঃ।
অশ্বমেধ সহস্রং বা কৰ্ম্ম বেদোদিতং কৃতম্।
তৎসৰ্ব্বং নিষ্ফলং ব্ৰহ্মন্ যতো ভক্তি বিবৰ্জ্জিতম্॥
—চতুৰ্থোঽধ্যায়ঃ।

জ্ঞানং লভ্যং পৰং মোক্ষং প্ৰাহুস্তত্বাৰ্থ চিন্তকাঃ।
তজ্জ্ঞানং ভক্তি মূলঞ্চ ভক্তি সৎকৰ্ম্মজা তথা॥
—একত্ৰিংশোঽধ্যায়ঃ।

"ভকতি বিহীন জ্ঞান কৰ্ম্ম সবে ব্যৰ্থ। কহিলোঁ স্বৰূপে বেদান্তৰ তত্ত্ব অৰ্থ॥
আবে অনাদৰি জ্ঞান স্বধৰ্ম্ম বিশেষ। কেৱলে দিয়োক ভকতিৰ উপদেশ॥"

এনে ভক্তি প্ৰচাৰ কৰা শাস্ত্ৰতো স্বাৰ্থ সিদ্ধি ৰাখিবৰ নিমিত্তে বা নিজেই ডাঙৰ আনক সৰু দেখুৱাবলৈ "প্ৰক্ষিপ্ত" শ্লোকৰ সৃষ্টি। কিন্তু দোষৰ কথা বা এনে গোপনীয় উদ্দেশ্য সদায় লুকাই নাথাকে। বিজ্ঞ টীকাকাৰসকলৰ মাজত যদিও দুই এজনে এনেবিলাক শ্লোকক প্ৰক্ষিপ্ত বুলি আভাস দিও বা কোনোৱে বুলিও সাহ কৰি কোৱা নাই তথাপি নিচলা অসমৰ নিচলা সন্তান পুৰুষোত্তম ঠাকুৰ দেৱে বুঢ়াভাষ্যত সাহ কৰি দোষ আৰু স্বাৰ্থপৰতাৰ মাত্ৰা উন্মুকিয়াই প্ৰক্ষিপ্ত বুলিছে। সেই কেই ফাকি তুলিদিলোঁ।

"শ্ৰীধৰ স্বামীয়ে কিছু অন্যায় কৰিলা। শূদ্ৰক বুলিয়া ভাষ্য টীকাক যুড়িলা॥
ভাগৱত পুৰাণত পূৰ্ব্বাপৰ নাই। মান্যমুৰি কৰিলন্ত তথাপি ৰবাই॥
বোলে ভৰি ধোৱা পানী যথাত থাকয়। শূদ্ৰ সব তথাত থাকিবে যোগ্য নয়॥
ব্ৰাহ্মণৰ কুল বৰ দেখাই ভাগৱত। টীকা কৰিলন্ত তাক জুৰিয়া মনত॥
বৈষ্ণৱ আনন্দ এক শূদ্ৰ আছিলন্ত। শ্ৰীধৰ সহিতে দুয়ো বাদ কৰিলন্ত॥
শূদ্ৰ হেন বুলিয়া তাহাক বাদ কৰি। অন্ধ হুয়া শ্লোকচয় ৰচিলা শ্ৰীধৰি॥
বাদ কৰি তাহাক জিনিবে নোৱাৰিলা। ক্ৰোধ কৰি ভাগৱতে শ্লোক নিবন্ধিলা॥
ৰাজাৰ শৰণ যেন দিলে কোনে যেৱে। ভাগৱতে কহে বুলি মানিবেক তেৱে॥"



জাতি ধৰ্ম্ম আৰু স্বভাৱগত স্বাৰ্থপৰতা লুকাই ৰাখিবৰ নিমিত্তে অনেক প্ৰক্ষিপ্ত শ্লোকৰ সৃষ্টি। এইবিলাক মানুহৰ মনত সোমাই ইমান পোত গৈ আছে যে সেইবিলাকক উঘালিবলৈ বৰ টান। জাতিগত স্বাৰ্থপৰতা প্ৰকাশক শ্লোক এটি তুলি দিলোঁ। যি বেদক আমি জ্ঞানময় আৰু ঈশ্বৰৰ মুখ বিনিসৃত বাণী বোলোঁ সেই বেদতে :--

অনাচাৰো দ্বিজো পূজ্য ন চ শূদ্ৰ জিতেন্দ্ৰিয়ঃ।
অভক্ষং ভক্ষয়েৎ গাব শূকৰো বংশ মূলকং॥ *

এনে কথা ভাঙিপাতি দেখুৱাবলৈ কোনেও সাহ নকৰে। কিয়নো এনে কথা উন্মুকিয়ালেই শুনা যাব "ব্যাসতো অধিক হৈলা এহেন্তে পাণ্ডিত।" ইয়াৰ লগতে ইয়াকো কব "ই বেদ নিন্দক, ইয়াক দেখিবই নাপায়।"

পৰশ্ৰীকাতৰতা আৰু আত্মকন্দলে বহুদিনৰ আগৰেপৰা চলি আহি আমাক লুৰুংলঠুং কৰিছে। সনাতন ধৰ্ম্মত অনেক বিকাৰ দেখি অনেক মহাপুৰুষে নিজৰ বাচনি মতে অনেক শাখা ধৰ্ম্ম উলিয়াই পৰোপকাৰ কৰি গৈছে। তথাপি ঠিক কৰিব নোৱাৰিলে। এনে শাখা ধৰ্ম্মবিলাকৰ হেচা ঠেলাত ভাৰতৰ ককালৰ জোৱা লৰিল। ভাগৱত পুৰাণে যৎপৰোনাস্তি চেষ্টাৰে চিকিৎসা কৰিও তাক ভাল কৰিব পৰা নাই।

পৰমাৰ্থ হৈছে—

"হৃদি ব্ৰহ্ম হৃদ-নিন্দায়ে শোবা। ভক্তৰ মনক কুঞ্জী বুজিবা॥
বিশুদ্ধ বুদ্ধিয়ে সুদামা পুষ্ট। ভকতক হাত দণ্ডায়ে ধেনু॥
ময়ে কুবলয় প্ৰমত্ত মাল। ক্ৰোধকংস মৰি গুচে জঞ্জাল॥
কৃষ্ণৰ কিঙ্কৰে কহে যুকুতি। ৰাম হৰি বুলি সাধা মুকুতি॥
ইহ পৰ লোকত দেখায়া ফলগণ। কৰ্ণৰ মধুৰ বেদে মুহিয়াছে মন॥
লৌকিক বৈদিক আশা এৰিলে যিজন।
আশা নাশ হৈলে তেৱে পুতনা শোষণ॥"

* এনে কথাও নো ভগৱৎ মুখ-বিনিসৃত বা "নাসিকাত হস্তে ৰাজ" হোৱা বাণীৰ ভিতৰৰ হব পাৰেনে!—লেখক।

পৃথিবীৰ কোন ধৰ্ম্মত সকলো কালতে সকলোৰ সুবিধাৰ নিমিত্তে ঈশ্বৰ জীৱন্ত মূৰ্ত্তিৰে ভক্তক সকলো ৰসত মগ্ন কৰি নৱবিধ ভক্তিৰে জীৱক উদ্ধাৰ কৰিছে ?

এনে মহিমাময় শাস্ত্ৰত—এনে জ্ঞানপূৰ্ণ বিষয়ত—জ্ঞানৰ চৰমসীমা প্ৰকাশক শাস্ত্ৰত যি প্ৰক্ষিপ্ত শ্লোকৰ কৰ্ত্তা তেওঁতকৈ আৰু কোন দোষী ? এনে লোকেই যে সনাতন ধৰ্ম্ম কলুষিত কৰে তাক কোৱা বাহুল্য মাথোন। আমিও যে অজ্ঞানতা বশতঃ তেনে কথাত ভোল গৈ আছোঁ ইও আমাৰ এটি ধিক্কাৰৰ বিষয়। আমি এনেদৰে অনেক অসাৰ কথা বুকত বান্ধি লৈ থাকিব নালাগিলেহেঁতেন যদি মূৰ্খ-স্বাৰ্থপৰতাৰ প্ৰকোপ বেছি হৈ "পৰগুইৰ গীত গাৱে কালিৰ ছৱাল" বুলি আমাৰ কথা উকৱাই নিদিলেহেঁতেন আৰু যদি আমাৰ সৰহভাগে সেইমতে ঢাল নললেহেঁতেন।

অনেক "বেদোদিতং কৃতং" কৰ্ম্ম কাণ্ডৰ বৃথা বা অসাৰ কাৰ্য্য বা ভূত পূজাৰ মূল্য নাই যেন জানি মাধৱদেৱে লিখিছে :—

কৰ্ম্মত বিশ্বাস যাৰ, হিয়াত থাকন্ত হৰি অতিশয় দূৰ হোন্ত তাৰ।
দূৰতো বিদূৰ হন্ত তাৰ, অহঙ্কাৰ থাকন্তেও সাক্ষাতে কৃষ্ণক পাৱে
শ্ৰৱণ কীৰ্ত্তন ধৰ্ম্ম যাৰ ॥—নাম ঘোষা।

মহামহিমাময় নাম-ধৰ্ম্মই জ্ঞান-কৰ্ম্ম ধৰ্ম্মৰ শেষ সিদ্ধান্ত হোৱা স্বত্বেও অনেক স্বাৰ্থপৰ আৰু সংকীৰ্ণমনৰ লোকে বা শাস্ত্ৰকাৰে আচল সত্যক অনাদৰ কৰি নিজৰ উদ্দেশ্য সিদ্ধি কৰি এটা জাগতিক অনিষ্ট সাধন কৰি থৈ গৈছে। সত্যক অনাদৰ কৰাৰ নিমিত্তেই হিন্দুৰ আত্মকন্দল, লণ্ড-ভণ্ড, গৰ্ম্ম-ধৰ্ম্ম, সকলোৰ নেওচনি লৈ পৰি থকা অৱস্থা আৰু শেষত এই দুৰ্দ্দশা। এইবিধৰ কথাত ভোল গৈয়ে গোটেই হিন্দুজাতিয়ে পিছত বুদ্ধদেৱৰ প্ৰতি অনাদৰ দেখুৱালে। বুদ্ধদেৱক ঈশ্বৰাৱতাৰ বুলি স্বীকাৰ নকৰিলেহেঁতেন, যদি বুদ্ধদেৱে মহাজ্ঞান ধৰ্ম্ম প্ৰচাৰ নকৰিলেহেঁতেন, আৰু সত্যপৰায়ণ নহলহেঁতেন। মহাত্মা যিশুখৃষ্টই গুণৰ আদৰ কৰি স্বৰ্গী হোৱাৰ বাবে অৰ্থাৎ সমাধিৰ সময়তো ক্ষমাগুণ নেৰাৰ বাবে খৃষ্টানৰ মাজত গুণৰ আদৰ বেছি। মহাপুৰুষ শঙ্কৰদেৱে দোষীক কিছুদিন এৰি থোৱাৰ প্ৰথাৰে, সকলোতকৈ নম্ৰতস্বীকাৰ আৰু সাম্য বা সকলোৰে সমান অধিকাৰ



দেখুৱাৰ গুণেই মহাপুৰুষীয়া ধৰ্ম্মত দোষীক এৰা কাৰ্য্য বেছি, মহাপুৰুষীয়া সকল নিৰহঙ্কাৰী আৰু নিৰ্জ্জু আৰু প্ৰত্যেক জাতৰ মানুহেই ধৰ্ম্ম গুৰুৰ আসন পায়। মহাপুৰুষ মাধৱদেৱে একেবাৰে নম্ৰ আৰু সৰুটি হৈ নিজক গুণহীন দেখুৱাৰ বাবেই মহাকবি, মহাজ্ঞানী আৰু মহাপুৰুষ হৈ ধৰ্ম্ম প্ৰচাৰ কৰি গল। সেইবাবেই জাগতৰ শ্ৰেষ্ঠ মহাশাস্ত্ৰ ঘোষা প্ৰণয়ন কৰিব পাৰিছিল। নামজ্বলা গোসাঁইসকলৰ শিষ্য হৈ মই "বামুণীয়া" বা অমুক নামজ্বলা গোসাঁইৰ শিষ্য হৈ বৰ ডাঙৰ কাম কৰিলোঁ ভবা অনুচিত।

বৰ্ত্তমান কালত অনেক শিক্ষিত ভদ্ৰলোকেও এনেকুৱা কাম কৰি "পুণ্য মিকো ভব" হয়। কোনোৱে "শূদিৰ" শঙ্কৰদেৱৰ ধৰ্ম্মলৈ পিঠি দি আন ফালৰ আন ঠাইৰ ধৰ্ম্ম ভাল দেখি তাকে গ্ৰহণ কৰি "শালৰ মাজতে শিঙি" হৈ পৰিছে। সেইদেখি কব খোজোঁ, আধ্যাত্মিক জ্ঞান লাভ কৰিবৰ নিমিত্তে অসম এৰি কৰবালৈ যাব লাগেনে ? সৰ্ব্বশাস্ত্ৰ-সাৰ, সৰ্ব্বধৰ্ম্ম-সাৰ, সৰ্ব্বজ্ঞান-সাৰ, "গৃহতে পাইবা কৃষ্ণক স্মৰি" উপদেশ থকা আৰু সকলো গুণৰ আৰু জ্ঞানৰ আলয় মহাপুৰুষীয়া ধৰ্ম্ম এতিয়াও মৰা নাই, জীয়াই আছে। "নাম ধৰিছা পতিত পাৱন" বুলি ঈশ্বৰক কোৱা ধৰ্ম্মৰ গুৰিয়াল মহাপুৰুষ শঙ্কৰদেৱ। তেওঁৰ ওচৰলৈ আহাঁ, তেওঁ তোমাক শান্তি দিব, সত্য-জ্ঞান দিব, তুমি খেপিয়াই ফুৰিব নালাগে। অসমত সত্য ধৰ্ম্ম প্ৰচাৰ কৰোঁতা শঙ্কৰদেৱ; গীত-বাদ্য নাট আদি উলিয়াওঁতা শঙ্কৰদেৱ; সংসাৰত থাকি যোগী হৈ দেখুৱাওঁতা শঙ্কৰদেৱ; "একমেবাদ্বিতীয়ম্" ঈশ্বৰৰ ভক্ত হৈ দেখুৱাওঁতা শঙ্কৰদেৱ; সেই সময়ত আন্ধাৰত খেপিয়াই ফুৰা অসমীয়াক পোহৰলৈ আনোতা শঙ্কৰদেৱ; ঠেকেছা-নেকেছা থাই থকা, সম্পূৰ্ণৰূপে ঘৃণিত আৰু ধৰ্ম্ম চৰ্চ্চাৰপৰা একেবাৰেই বঞ্চিত জাতিৰ গুৰিয়াল, উপকাৰী বন্ধু, সুহৃদ পিতা শঙ্কৰদেৱ; সকলো অসমীয়াৰে বন্ধু, জ্ঞানদাতা, উপকাৰী আৰু দেশহিতৈষী শঙ্কৰদেৱ; একে সাম্য ধৰ্ম্মত গোটেই আসামক চলাওতা শঙ্কৰদেৱ; ৰসভৰা কাব্য লিখি দেখুৱাওঁতা শঙ্কৰদেৱ; অসমীয়াৰ পৰমধন শঙ্কৰদেৱ; অসমীয়াৰ শিৰৰ মুকুট, তিলক শঙ্কৰদেৱ; অসম-আকাশত পূৰ্ণিমাৰ চন্দ্ৰ শঙ্কৰদেৱ; ভাই ভাই সম্বন্ধ দেখুৱাওতা শঙ্কৰদেৱ, কিয়নো "কলিযুগে ভাগো ভাৰতত ভৈলা নৰ," "দেৱৰো দুৰ্লভ ইতো জন্ম ভাৰতত",

ইত্যাদি বাক্যৰে ভাৰত তাৰত কৰি ভ্ৰাতৃ ভাৱত বিগলিত হৈ দেখুৱাওতা শঙ্কৰদেৱ, ভাষা ৰচোতা শঙ্কৰদেৱ ; মোটৰ ওপৰত যি বিষয়ে চোৱা বৰ্ত্তমান অসমীয়াৰ গুৱিয়াল শঙ্কৰদেৱ। শঙ্কৰদেৱ নোহোৱা হলে অসমীয়াৰ অসমীয়াত্ব নোহোৱা হলহেঁতেন। বঙ্গৰ গ্ৰাসৰপৰা বঙ্গাই বগাই আৰু সংস্কৃত টোলত পাছকৰা সিবাই ষাপু আদি "ভো পণ্ডিত" সকলে অসমক ৰক্ষা কৰিব নোৱাৰিলেহেঁতেন। ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা যেন সেই বিশ্বজনীন মহাপুৰুষীয়া ধৰ্ম্ম আগৰ দৰেই বিশ্বজনীন হৈ থাকোক। এনে শঙ্কৰ দেৱক তেজপুৰ হাইস্কুলত হোৱা এখন "মিটিঙত" কোনোবা এজন বৰ-মুৰীয়াই আনন্দৰাম বৰুৱাৰ লগত হেনো তুলনা কৰিছিল। এই কথা শুনি স্বৰ্গীয় কেশৱনাথ ফুকন ডাঙৰীয়াই এনে তুলনাত মহাপুৰুষক অবমাননা কৰা হয় বুলি ভাবি এনেবিলাক মিটিঙলৈ যাবলৈকে এৰিছিল। আৰু ইয়াৰ উপৰিও তেখেতৰ স্কুলত এনে মিটিং পাতিবলৈ দিবলৈ বন্ধ কৰিছিল। গোটেই অসমৰ ঘৰে ঘৰে শঙ্কৰদেৱৰ হাত, শঙ্কৰদেৱৰ নাম। শঙ্কৰদেৱে সজা বৰ ঘৰৰ ভিতৰত সোমাই থাকি শঙ্কৰদেৱক সাধাৰণ যেন ভবাটো কেনে অমঙ্গলীয়া কথা! তোমাৰ পিতাবাই—যি বিশ্বজনীন ধৰ্ম্ম প্ৰচাৰ কৰিছে, যি পিতাবাই, অনৰ্থক সময় নষ্ট কৰা, আধ্যাত্মিক জ্ঞানৰ চৰম সীমালৈ নিব নোৱৰা আৰু সাৰ নথকা হোম, শ্ৰাদ্ধ, বলি, আদি কামবিলাক তল পেলাই "নামত শৰণ লৈয়ো বাবেক, নামে সে হৰে সব পাতক" প্ৰচাৰ কৰি হৃবিত কেৱল শৰণেৰে সৈতে সংসাৰৰপৰা উদ্ধাৰ কৰিব পৰা, আৰু স্থায়ী আনন্দ সুখ শান্তি দিব পৰা ভক্তি ধৰ্ম্ম প্ৰচাৰ কৰিছে তেওঁত তোমাৰ চকু পৰা নাই, ইয়াতকৈ আৰু তোমাৰ বেয়া দশা কি আছে ? তুমি অন্ধকাৰত থাকি ভাল পোৱা মানুহ, পোহৰলৈ কেলেই যাবা ? সতিকে যে পোহৰ দেখুৱাওঁতালৈ থং মুঠিৰ তাত বৈচিত্ৰ কি ? আমি কওঁ পিতাবাক চিনি লোৱাঁ। নহলে "আপোনাৰ দোষে মৰে বিৰাটৰ ভাই হব।" গুণলৈ যদি শঙ্কৰ দেৱক চাব খোজা চোৱাঁ :— মহাকবি তেওঁ, নৃত্য শিক্ষক তেওঁ, কৰ্ম্মবীৰ তেওঁ, ধৰ্ম্মবীৰ তেওঁ, তত্ত্ব পিপাসু তেওঁ, গুৰু তেওঁ, ভাষা গঢ়োতা তেওঁ, "কৃষ্ণৰ কিঙ্কৰ" হৈ মহা নিৰ্ব্বাণ লাভ কৰোঁতা তেওঁ, সৰ্ব্বজ্ঞানী ত্ৰিকালদৰ্শী মহৰ্ষি তেওঁ, জীৱ তাৰণৰ সৰাকী তেওঁ, দয়ালু পুৰুষ তেওঁ, ক্ষমাবান তেওঁ। এই নিমিত্তে



শ্ৰীমন্ত শঙ্কৰ, হৰিভকতৰ, জানা যেন কল্পতৰু।
তাহান্ত বিনাই, নাই নাই নাই, আমাৰ পৰম গুৰু॥

আপোনাৰ হিতাকাঙ্খী "শ্ৰীমন্মোলেছ"

---

# জয়মতী উৎসৱ।

ৰাণী জয়মতীৰ পতি হস্তে আত্মত্যাগৰ কথা বহলাই নকলেও হব। এনে সতীত্ব এনে বীৰত্ব বিৰল। গুণৰ পূজাত কোনো জাতি বা জাত বিচাৰ হব নোৱাৰে। আৰু যি তেনে বিচাৰ কৰিবলৈ ওলায় তেওঁ নিন্দনীয় হোৱা উচিত আৰু তেওঁক সমাজৰ অহিতকাৰী বুলি ধৰি লব লাগে। জয়মতীৰ জীৱনী সম্বন্ধে অসমীয়া ভাষাত দুখন নে এখন পুথি এতিয়ালৈকে দেখা পোৱা হৈছে কিন্তু বঙ্গলা ভাষাত হলে এই সতীৰ বিষয়ক পুথি আৰু নাটক কেবাখনো ওলাল। কলিকতাৰ ৰঙ্গমঞ্চ 'মিনাৰ্ভা থিয়েটৰত' জয়মতী নাটকৰ কেবাবাৰো অভিনয় হৈছে। বৰ সন্তোষৰ কথা যে এনে জনা আদৰ্শ তিৰুতাৰ জীৱনী সকলোৰে সোৱঁৰণী-পটত আঁকি ৰাখিবলৈ শিৱসাগৰত এওঁৰ মৃত্যু তিথি উৎসৱ আজি ২ বছৰ যথা নিয়মে পাতিছে। "শিৱ-সাগৰ ক্লবে" এই উৎসৱ কাৰ্য্য বছৰি বছৰি পাতিবলৈ গাত লৈছে। ১৯১৮চনৰ ৮ এপ্ৰিল সোমবাৰৰ দিনা প্ৰথম জয়মতী উৎসৱ জয়সাগৰৰ দাঁতিত পাতে। উৎসৱ কাৰ্য্য বৰ সমাৰোহেৰেই হৈ গল। দৰ্শক আৰু কাৰ্য্য-কাৰকসকলৰ ভিতৰত বৰ উৎসাহ দেখা গৈছিল। শিৱসাগৰৰ চবডিভিজনেল অফিচাৰ জনে নগৰৰ আটাইকিটা ছোৱালী পঢ়াশালিৰ ছোৱালীবোৰক এই উৎসৱত যোগ দিবলৈ সেই দিনা দিনৰ বাৰ বজাতে ছুটি দিছিল। সকলো তৰপৰ প্ৰায় ৩।৪ শ মান তিৰুতা এই উৎসৱত উপস্থিত আছিল। বৰ সন্তোষৰ কথা হৈছিল যে হিন্দু, মুছলমান, খৃষ্টীয়ান, অসমীয়া, বঙ্গালী, মাৰওৱাৰী, নেছৰালী ইত্যাদি সকলো সম্প্ৰদায়ৰ মানুহে এটি সজ ইচ্ছাৰ বশৱৰ্ত্তী হৈ জয়সাগৰৰ পাৰত জাকে জাকে আহি নিৰূপিত সময়ৰ বহুত

আগেয়ে সমবেত হৈছিল। লাহে লাহে যেতিয়া বেলি মূৰৰ ওপৰত উঠিল, নিজৰ্জ্জন ঠাই মানুহৰ হাই-উৰুমিৰে ভৰি পৰিল। শিৱদলৰ ওচৰত যৰপৰা জয়সাগৰৰ বতাহত লৰি চৰি থকা নিৰমল পানী আৰু দূৰৈৰ নীলা পৰ্ব্বত ফটফটীয়াকৈ দেখা যায় তেনে এডোখৰ ধুনীয়া আৰু সুবিধাজনক ঠাই উৎসৱ কাৰ্য্যৰ নিমিত্তে বাছি লোৱা হল। ঠিক আবেলি ৪ বজাৰপৰা এটি গীতেৰে কাৰ্য্য আৰম্ভ হল। শ্ৰীযুত ৰাধিকানাথ শৰ্ম্মাই সভাৰ উদ্দেশ্য উপস্থিত সকলোকে বুজাই দিছিল।

আৰু শ্ৰীযুত কুলধৰ চলিহা বি এলে তাৰ পাছত উজ্জ্বল ঘকৰা কথাৰে এটি সৰু বক্তৃতা দিলে। তেওঁৰ কথাত বহুতে চকুৰ পানী টুকিছিল। তিকতাসকলক সম্বোধন কৰি তেওঁ কৈছিল। "এই দল আৰু পুখুৰীয়ে যাৰ নাম যুগমীয়া কৰিছে আৰু যি জাতিক গৌৰবান্বিত কৰিছে সেই জনৰে পৱিত্ৰ নামত ভক্তি উপহাৰ দিবলৈ আজি আমি আহিছোঁহক। এই আকাশ ভেদি থকা দলে আৰু এই পাতালস্পৰ্শী সাগৰে জয়মতী চৰিত্ৰৰ উচ্চতা আৰু হৃদয়ৰ গভীৰতা জনাব লাগিছে আৰু যেন তেওঁ সেই দলৰ কলচীৰ ওপৰৰপৰা কৈছে "ভনীহঁত তোমালোকেও পতি ভক্তি, পতিৰ হিত চিন্তা কৰিবা। লাগিলে পতিৰ হকে জীৱন দিবলৈকো কুণ্ঠিত নহবা। তেনে মৰণত বৰ সুখ বৰ শান্তি। তেনে কাৰ্য্যই সমাজৰ জাতিৰ ঘোৰ মঙ্গল সাধিব পাৰে। মহৎ পৱিত্ৰ উদ্দেশ্যত স্বাৰ্থহীন আত্মত্যাগ প্ৰশংসনীয় আৰু পুণ্যদায়ক।" শ্ৰীযুক্ত গোলাপ চন্দ্ৰ শৰ্ম্মা বৰুৱাই আগেয়ে কোৱা দুজন বক্তাৰ কথাকে বহাই টুটাই কয় আৰু তেওঁ এই উৎসৱ কাৰ্য্য যাতে বছৰি হয় এনে আশা প্ৰকাশ কৰিছিল। শ্ৰীযুত ইন্দ্ৰেশ্বৰ বৰঠাকুৰ বি, এই নিজ হাতে আঁকা, জয়মতীক বান্ধি চাটি চাওদাঙে নানান শাস্তি দিয়া আৰু প্ৰণয় আৰু কৰ্ত্তব্যৰ দুই নাৱত দুই ভৰি দি বিমোৰ হৈ সেই নিষ্ঠুৰ দৃষ্ট চাই থকা এনেকুৱা এখন পট দেখুৱা হয়। সেই পট দেখা মাত্ৰে সকলো তিকতাই উৰুলি দি মাটিত মূৰ দেৱেঁাই সেৱা কৰিছিল। দেহি ঐ এনে শাস্তিতো গিৰীয়েকৰ কথা নকলে,' 'চক্ চোন চক্ এনে যাতনা ভুগিও যেন মুখত হাঁহি গুচা নাই,' এওঁ সতী, এওঁ দেবী নহয় নো কি' ইত্যাদি ধৰণৰ মন্তব্য তিৰুতা মণ্ডলীৰ



পৰা কৰা শুনা গৈছিল। পট পৰিদৰ্শনৰ পাছত ছোৱালীহঁতে দুজনী দুজনীকৈ শাৰী পাতি এটি শুৱলা স্তোত্ৰ গাই পুখুৰীত গৈ জয়মতীৰ নামে ফুল পেলাইছিল। সেই পুখুৰীৰ পানী শান্তিজলৰ দৰে সকলোৱে অলপ অলপ খাইছিল আৰু সেই ফুল নিৰ্ম্মালী স্বৰূপে সকলো তিৰুতাই খোপাত পিন্ধি লৈছিল। ইয়াৰ পিছত লৰা ছোৱালী সকলোকে জলযোগ কৰোৱা হল। শেহত তিৰুতাবিলাকে কেবাটিও নমে গালে। বুঢ়াচানেকীয়া এজন ভদ্ৰ মহিলাই এনে সদ অনুষ্ঠানলৈ অনুগ্ৰহ কৰি তেওঁবিলাকক নিমন্ত্ৰণ জনোৱাত আৰু এনে মহৎ উদাহৰণ তেওঁবিলাকৰ চকুৰ আগত ডাঙি ধৰাত কষ্টকাৰক সকলৰ ওচৰত কৃতজ্ঞতা প্ৰকাশ কৰিছিল আৰু যেন আগলৈকো এই উৎসৱলৈ মাতিবলৈ তেওঁবিলাকক নেপাহৰে ইয়াকে খাটিছিল। এই দিনিতে শ্ৰীযুত গোলাপচন্দ্ৰ বৰুৱাই সকলোকে জনালে যে যি ছোৱালীয় আজিৰ উৎসৱৰ বিষয়ে ভাল ৰচনা লেখিব সেই ছোৱালীক শ্ৰীযুত দেবেশ্বৰ চলিহা আৰু শ্ৰীযুত কুলধৰ চলিহা বি এলে এ দুটী বঁটা দিব। সন্ধীয়াৰপৰা 'ক্লব' ঘৰত জয়মতী নাটকৰ অভিনয় হয়। ঘৰ তিৰুতা দৰ্শকেৰে ভৰি পৰিছিল। নগাওঁৰ শ্ৰীযুত কালীকান্ত বৰুৱা বি এ কাৰ্য্যকাৰক সভাৰ সভাপতি আছিল। তেওঁৰ, আৰু শ্ৰীযুত গোলাপ চন্দ্ৰ বৰুৱা আৰু শ্ৰীযুত কুলধৰ চলিহাৰপৰা বিশেষ উৎসাহ আৰু সহায় পোৱা গৈছিল।

জয়মতীৰ মৃত্যুৱে গভীৰ প্ৰণয়ৰ মহৎ উজ্জ্বল চানেকি দেখুৱালে আৰু দেখুৱালে তিকতা দুৰ্ব্বল জাতি হলেও কৰ্ত্তব্যাগ্ৰবোধত নিজৰ জীৱন হাঁহি হাঁহি উছৰ্গিব পাৰে। যেই সেই দেশেই এনে চৰিত্ৰত যহ কৰিব। এই সতীৰ পৱিত্ৰ স্মৃতীত আমাৰ আন্তৰিক ভক্তি জনোৱাত আমি মাত্ৰ এটা সামান্য কৰ্ত্তব্য কাম কৰিছোঁ। যদি জয়মতী অসমীয়া নহৈ অইন দেশৰ বা জাতিৰ হলহেঁতেন তেন্তে তেওঁক দেবী তুল্য জ্ঞান কৰি সদায় পূজা কৰিলেহেঁতেন। জাতীয় জীৱন সজীৱ কৰি ৰাখিবলৈ হলে এনে অনুষ্ঠানৰ অতি দৰ্কাৰ। জয়মতীৰ দুখ ভোগৰ কথাই আৰু সেই প্ৰাতঃস্মৰণীয় নামে যেন আমাৰ জাতিক ডাঙৰ উদ্দেশ্যৰ বাটত আগুৱাবলৈ উদগণি আৰু আত্মত্যাগৰ ডাঙৰ পৰীক্ষাতে উত্তীৰ্ণ হৈ সেই উদ্দেশ্য সিদ্ধি কৰিবলৈ গাত আৰু মনত বল দিয়ে। কোনো জাতীয় কাৰ্য্যত আমাৰ

মুনিহ আৰু তিৰুতা লগ হৈ সুকলমে কাৰ্য্য সম্পাদন কৰা লিখকৰ একৰকম এই প্ৰথম অভিজ্ঞতা। এই দৃশ্যই আমাৰ সমাজৰ ভবিষ্যৎ ভাবিবলৈ অলপ উৎসাহ দিলে। জয়মতী উৎসৱে যেন আমাৰ হতঃশ্ৰী সমাজৰ বহুত সজ উদ্দেশ্য সিদ্ধি কৰি শ্ৰী বৰ্দ্ধন কৰক ইয়াকে ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা কৰোঁ।

দৰ্শক।

---

# গদাধৰসিংহৰ অজ্ঞাতবাস।

গদাধৰসিংহৰ অজ্ঞাতবাসৰ বিষয়ে সঁচা মিছা অনেক গল্প শুনিবলৈ পোৱা যায়। 'জয়মতী কুৱঁৰী আৰু লাঙ্গি গদাপাণি' নামৰ প্ৰবন্ধৰত স্বৰ্গীয় ৰত্নেশ্বৰ মহন্তই জনপ্ৰবাদ মূলক দুটা গল্প লিপিবদ্ধ কৰিছে। "এনে এটা প্ৰবাদ আছে, এদিন গদাপাণি টাবলুং নগা-পৰ্ব্বতত থকা ভু পাই লৰা ৰজাৰ সেনাবিলাক গৈ তেওঁক তাতে বেঢ়ি ধৰিলে। সেই টাবলুঙত বৰ ডাঙৰ ঘৰ যেন শিল এটা আছিল। গদাপাণিয়ে শত্ৰুৰ মাজত পৰি আতুৰ হৈ অতি কাতৰ স্বৰেৰে বনদেৱীক সম্বোধন কৰি কবলৈ ধৰিলে—'হে মাতৃ। আজি মোক ৰক্ষা কৰা।' গদাপাণিৰ কাতৰোক্তিত অকস্মাৎ পৰ্ব্বতৰ সেই বিশাল শৈলদ্বাৰ উদ্ঘাটিত হল। গদাপাণি তাৰ মাজতে সোমাই থাকিল। লৰা ৰজাৰ সেনাই তেওঁক নেপাই উলটি আহিল। এই শৈল-দ্বাৰৰ প্ৰকাণ্ড শিলটোক নগাইতে আজিলৈকে পূজা-পাটলাদি দিয়ে। আৰু এদিন গদাপাণিক লৰা ৰজাৰ সেনাবিলাকে সেই পৰ্ব্বতৰ মাজতে লগ পায়। সেই দিনাৰ সম্পৰ্কেও এটি ঔপন্যাসিক প্ৰবাদ আছে। লৰা ৰজাৰ চৰবিলাকে যেতিয়া গদাপাণিক কেউফালৰপৰা বেঢ়ি ধৰিলে, সেই সময়ত হেনো বৰগছ এজোপাত এজনা শ্যামাঙ্গী তিৰোতাৰ আবিৰ্ভাৱ হয়। তেওঁ সেই গছৰ ডাল এটাত মাটিলৈ ভৰি ওলোমাই বহি তেওঁৰ দীঘল লহঙ্গাৰ (মেখেলা) তলত গদাপাণিক সুমাই লুকাই ৰাখি শত্ৰুৰ হাতৰ পৰা ৰক্ষা কৰিলে।"



তৃতীয় ভাগ উষাৰ 'স্বৰ্গদেৱ গদাধৰসিংহ' নামৰ প্ৰবন্ধতো এই বিষয়ৰ এটা গল্প আছে। "গদাপাণিয়ে চদ্মবেশেৰে ফুৰোঁতে বাটত এজন গণকেৰে সৈতে তেওঁৰ চিনাকী হয়। এদিন গণকে কোৱঁৰৰ হাত চাই কলে,—'গদা' তুমি এদিন ৰজা হবাহে।' কোঁৱৰে মাত লগালে,—'আৰু মই যদি ৰজা হওঁ, মন্ত্ৰীৰ বাব এটি তোমাৰ।' গণক বপুৰাই সেই বিষয় লভিবলৈ সৰহ দিন জীয়াই নাথাকিল; কেইমাহমানৰ অন্তৰতে তেওঁৰ মৃত্যু হয়।"

আৰু দুটা গল্প মই নিজে শুনিবলৈ পোৱা। নগা-পৰ্ব্বতত থাকোতে কেবাদিনো হেনো গদাপাণিয়ে মহ-পোৱালি এটা খাব কেবা চাপৰো মাৰিলে। নগা এটাই দেখা পাই গদাপাণিক আহি তাৰ কাৰণ শুধিলে। গদাপাণিয়ে কলে যে "মহ-পোৱালিটো খাবৰ বৰ উপযুক্ত হৈছে আৰু তেওঁৰ খাবৰ বৰ ইচ্ছা হৈছে।" গদাপাণিয়ে আৰু কলে যে, মহ-পোৱালিটো তেওঁ অকলৈ খাব পাৰিব। নগাবিলাকে প্ৰমাণ চাবলৈ মহপোৱালিটো তেওঁক খাবলৈ দিলে। গদাপাণিয়ে যেনেকৈ কৈছিল তেনেকৈ অকলৈ মহ-পোৱালিটো খালে। নগাবিলাকে বৰ আচৰিত মানিলে আৰু সিহঁতৰ চাওলৈ গদাপাণিক মাতি লৈ গল। চাওত এজনী নাগিনী আছিল। যি তাইক বিয়া কৰাব সি হেনো মৰিব লাগে। নগাইতে গদাপাণিকে হেনো সেই নাগিনীজনী দিলে।

সেইকালত বোকাখাটত টঙালী নামেৰে বামুণ এজন আছিল। এদিন নগা-পৰ্ব্বতৰপৰা গদাপাণি আহি তেওঁৰ পদূলিৰ মূৰৰ বকুল গছজোপাৰ তলতে বহিল। বামুণীয়ে পুখুৰীলৈ যাওঁতে কেনেবাকৈ গদাপাণিক দেখা পাই বামুণৰ আগত কলেগৈ যে, বকুল গছজোপাৰ তলত থুলস্থূল পুৰুষ এজন বহি আছে। বামুণেও ওলাই চাই গদাপাণিক দেখা পালে। বামুণৰ এখন জ্যোতিষ আছিল। সেই জ্যোতিষৰ সহায়েৰে বামুণে গদাপাণিক চিনিব পাৰিলে। বামুণে বকুল গছৰ তললৈগৈ গৈ যথাযোগ্য সম্মান দেখুৱাই গদাপাণিক ঘৰলৈ মাতিলে। গদাপাণিয়ে তেওঁক কেনেকৈ চিনিলে বুলি বামুণক শোধাত, বামুণে তেওঁৰ জ্যোতিষখনৰ কথা কলে। বামুণে গদাপাণিক ঘৰলৈ নিলে আৰু জাকৰ ভালৰো ভাল মহ-পোৱালিটো

মৰাই ভাত খুৱালে। খোৱা-বোৱা শেষ হলত বামুণে গদাপাণিক কলে যে স্বৰ্গদেৱে আজিয়েই ৰাজপাটত উঠিব লাগে, নহলে আৰু ৰজা হব নোৱাৰে। সেই অনুসাৰে বামুণ আৰু বামুণীয়ে পীৰা এখনৰ ওপৰত কাপোৰ পাৰি গদাপাণিক বহুৱাই ৰজা পাতি আঠু ললে। গদাপাণিয়ে, ৰজা হলে বামুণক যথোচিত পুৰস্কাৰ দিয়া যাব বুলি কলে।

ইয়াৰ পিছত ভিনিহিয়েক বন্দৰ বৰফুকনৰ সহায়ত গদাপাণি ৰজা হয়। ৰজা হোৱাৰ গম পাই বামুণ এদিন স্বৰ্গদেৱৰ ওচৰলৈ গল। বামুণে আঠু লৈ তেওঁক চিনি পাইছেনে বুলি স্বৰ্গদেৱক শুধিলে। স্বৰ্গদেৱেও চিনি পাইছে বুলি কলে। স্বৰ্গদেৱে বামুণক শুধিলে—'মোৰ মনটো আজি কত আছে কব লাগে।' বামুণে উত্তৰ দিলে—'স্বৰ্গদেৱৰ মনটো আজি এই চটিটোৰ ওপৰত আছে।' স্বৰ্গদেৱে বামুণক তেওঁৰ পুথি-পাঁজি সকলোবোৰ লৈ আকৌ পাছদিনা আহিবলৈ কৈ সেইদিনালৈ বিদায় দিলে। বামুণে সেইদৰে পাছদিনা গৈ ৰজাৰ চৰাত উপস্থিত হলত স্বৰ্গদেৱে শুধিলে,—'আজি বাৰু মোৰ মনটো কত আছে?' উত্তৰত বামুণে কলে,—'আজি আৰু কত আছে। আজি স্বৰ্গদেৱে মোক কটাব খুজিছে।' সঁচাকৈয়ে বামুণক কটোৱা হল। সেইদৰেই টঙালী বামুণ মৰিল, কিন্তু তেওঁৰ সন্ততি এতিয়াও আছে।

শ্ৰীলক্ষ্মীনাথ ফুকন।

## চমু মন্তব্য।

"আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন চৰিত্ৰ।" ৰায় গুণাভিৰাম বৰুৱা বাহাদুৰ প্ৰণীত। তেওঁৰ পুত্ৰ শ্ৰীযুক্ত জ্ঞানদাভিৰাম বৰুৱা বেৰিষ্টৰ এট-লৰ দ্বাৰাই প্ৰকাশিত। দ্বিতীয় সংস্কৰণ। প্ৰথম সংস্কৰণ ১৮০২ শকতে হৈছিল। এই কিতাপখন বহুমূলীয়া বস্তু। সকলো অসমীয়াই মন দি পঢ়ি আমাৰ মহৎ লোকৰ আৰু মহৎ পৰিবাৰৰ আৰু বিগত যুগৰ ইতিবৃত্ত জনা উচিত।

---



## সম্পাদকৰ চৰা।

"ধৰ্ম্মক জানোহোঁ মই তাহাত প্ৰবৃত্তি নাই,
অধৰ্ম্মতো নিবৃত্তি নহয়।
হৃদিস্থিত হয়া তুমি যেন কৰোৱাহা স্বামী,
তাকে মাত্ৰ কৰোঁ কৃপাময়॥—ঘোষা।

এইষাৰ কথা, জ্ঞানৰ পোহৰ কম পোৱা অন্ধবিশ্বাসী আৰু লোকৰ গল গ্ৰহ হব খোজা এলেহুৱাৰ নিমিত্তে নহয়, যদিও সেই শাৰীৰ লোকসকলে ইয়াক কথায় কথায় মাতে, কথায় কথায় ব্যৱহাৰ কৰে; এইষাৰ শ্ৰুতি স্মৃতি আদিৰে ব্যৱস্থিত, দৰ্শনৰ যুক্তি তৰ্কেৰে পৰিশোধিত, জ্ঞানৰ আলোকেৰে আলোকিত, পুৰাণৰ পাৰমাৰ্থিক কল্পনা-বিমিশ্ৰিত, পৰমাৰ্থ তত্ত্বজ্ঞানেৰে প্ৰমথিত মনৰ জ্ঞানী ভক্তৰ হৃদয়ৰহে আচল কথা। এই জ্ঞানী ভক্তই কয় যে "চাৰি বেদ চৈধ শাস্ত্ৰ, ওঠাৰ পুৰাণ, ছখন দৰ্শন ইত্যাদিত যি ধৰ্ম্মৰ পথবোৰ প্ৰদৰ্শিত হৈছে সেই পথবোৰৰ বিষয়ে মই সকলো জানো, সকলোবিলাক মোৰ দ্বাৰাই অৱলম্বিত আৰু পৰীক্ষিত হৈছে। মই অৱশ্যে জানো যে সেই বেদ বেদাঙ্গ আদি শাস্ত্ৰৰ বাণী তোমাৰেই বাণী। আৰু জানো যে গীতাত তুমি মুক্তিলাভৰ উপায় স্বৰূপে যি জ্ঞানযোগ, কৰ্ম্মযোগ আৰু ভক্তিযোগৰ উপদেশ দিছা, সেইবোৰও তোমাৰ আপোন মুখৰে উপদেশ; কিন্তু হে প্ৰভু, হে ভক্তবৎসল ভগৱান, তথাপি মোৰ মনক একো একো বেলি ভাৱৰে ঢাকি ধৰে, তথাপি মই কেতিয়াবা কেতিয়াবা সমুখত পোহৰ নেদেখি ধুৱঁলিকুঁৱলি দেখোঁ; তুমি দেখুৱা জ্ঞান পন্থাৰে বাট বুলোঁতে বুলোঁতে মোৰ চকুত জলক-টৰক লাগি আহে,—কিয়নো বৰ পোহৰ, বৰ জেউতি; ভালকৈ চকু মেলি চাব নোৱাৰোঁ। হে প্ৰভু, বৰ পোহৰ এন্ধাৰৰ সমান। তোমাৰ অখণ্ড অত্যুজ্জ্বল জ্ঞানৰ প্ৰখৰ জ্যোতি মোৰ চৰ্ম্মচক্ষুৰে ধাৰণ কৰিব নোৱাৰে; জ্ঞানৰ চিন্তা কৰোঁতে কৰোঁতে

সেখোন কেতিয়াবা অজ্ঞানতাই জ্ঞানৰ ভাওজুৰি তাত সোমাই সকলে নষ্ট কৰে। আৰু চাবলৈ গলে হে প্ৰভু, মোৰ শক্তিৰ ভিতৰুৱা ক্ষুদ্ৰ সীমাবদ্ধ জ্ঞানেই বা তোমাৰ অনিৰ্ব্বচনীয় অখণ্ড অশেষ জ্ঞানৰ তৰ পায় কেনেকৈ? মুক্তিলাভৰ preliminary পাতনি কৰ্ম্ম কৰি চিত্তশোধন কৰি থাকোঁতেই সেখোন তাত নানা বিঘিনি নানা বিপদ নানাদোষ পৰি তাক পণ্ড কৰি দিয়ে, চিত্তশোধন কৰি মন-দৰ্পণৰ ধুলি মলি-আৱি-ঝুকি গুচাই থাকোতেই সেখোন আকৌ আহি সংসাৰৰ ধুলিয়ে তাক চাটি পেলায়!—সি জড় সংসাৰৰ ধুলিমাকটিৰে লগৰীয়া বস্তু বুলিহে হবলা। হে প্ৰভু, তোমাৰ উপদেশ মতে তোমাৰে সৈতে মোৰ আত্মাৰ যোগ সাধন কৰিবলৈ যোগ মাৰ্গ অবলম্বন কৰি নথৈ পৰিশ্ৰম কৰোঁতে কৰোঁতে মই হাইৰাণ হৈছোঁ তথাপি নোৱাৰোঁ; তোমাক ধৰোঁ ধৰোঁ, ছোওঁ ছোওঁ হওঁতেই, সংসাৰৰ এশ এটা হুপুৰ কামনা, দুৰ্ঘোৰ দুৰ্ব্বাসনাই মোৰ মনত সোমাই যোগৰ চেষ্টাত বিয়োগ সাধন কৰি দিয়ে! এতেকে হে প্ৰভু, মই কি কৰিম, কলৈ যাম? তুমি যাক অধৰ্ম্ম বুলি কৈছা, সেই অধৰ্ম্মলৈ নাযাওঁ বুলি প্ৰাণপণে যত্ন কৰিও সেখোন মই কৃতকাৰ্য্য হব নোৱাৰোঁ! মই কৰই নোৱাৰোঁ, কৰ পৰা যে কিহৰ ধুমুহা আহি মোৰ দুৰ্ব্বল মনক মোহাৰি পেলায়হি। মই জানিশুনিও কোনোমতে অধৰ্ম্মৰপৰা নিবৃত্ত হব নোৱাৰোঁ। এতেকে হে প্ৰভু, হে ভগৱান, হে মোৰ বাহিৰে-ভিতৰে গুৰু, হে হৃদিস্থিত পৰমেশ্বৰ, মই তোমাত কায়মনোবাক্যে আত্মসমৰ্পণ কৰিলোঁ, তোমাৰ যি মন যায় তাকে মোৰ হতুৱাই কৰোৱা, মই ধৰ্ম্মৰ বাটত ঠিক থাকিব নোৱাৰোঁ!

• • •

পৰমেশ্বৰত absolute resignation-অৰ ভাব অৰ্থাৎ সম্পূৰ্ণৰূপে unconditional surrender আত্মসমৰ্পণৰ ভাব ইয়াতকৈ আৰু কি হব পাৰে? এয়েই যীচুৰ প্ৰচাৰিত খ্ৰীষ্টধৰ্ম্মৰ resignation, এয়েই মহম্মদ প্ৰচাৰিত মছলেম ধৰ্ম্মৰ মহাবলবন্ত বিশ্বাসৰ আত্মসমৰ্পণৰ, এয়েই হিন্দুধৰ্ম্মৰ গীতাশাস্ত্ৰৰ শ্ৰীকৃষ্ণোপদিষ্ট একশৰণ, এয়েই শঙ্কৰ মাধৱ প্ৰকাশিত মহাপুৰুষীয় বৈষ্ণৱধৰ্ম্মৰ একশৰণ।

• • •



ভক্তৰ ঈশ্বৰত আত্মসমৰ্পণ resignation সংসাৰধৰ্ম্মত ঈশ্বৰনিৰ্দ্দিষ্ট কৰ্ম্মৰ প্ৰতি বিমুখতা নহয়, নিষ্কৰ্ম্মা ঔদাস্যৰ জীৱন নহয়; ভক্তৰ এই আত্মসমৰ্পণত নিজৰ অহং বিলোপ, নিজে অকৰ্ত্তা আৰু ঈশ্বৰ সকলোৰে কৰ্ত্তাৰ ভাব এই আত্মসমৰ্পণত অসীম বলৰ, অনন্ত ক্ষমতাৰ, অখণ্ড আনন্দৰ উৎস। মই অকামিলা অপাৰগ দুৰ্ব্বলৰ গুৰিত সকলো কাৰ্য্যৰ গুৰি সৰ্ব্বপাৰগ অনন্ত-বলীৰ বল আছে। ইন্দ্ৰিয়বিলাকক সবল কৰি সেইবোৰৰ দ্বাৰাই মই মোৰ কাৰ্য্য কৰোৱাই লোৱাৰ দৰে ঈশ্বৰে মোৰ দ্বাৰাই তেওঁৰ ইচ্ছাৰ কাৰ্য্য-বোৰ সম্পন্ন কৰি লৈছে; তেওঁ মোৰ সকলো কাৰ্য্যৰ সকলো ইচ্ছাৰ মূলত থকাত মোৰ অসীম সাহ, অদম্য উৎসাহ, প্ৰবল কাৰ্য্যকৰী শক্তি, দুৰ্ঘোৰ বিভীষিকাত নিৰ্ভিকতা, নৈৰাশ্যৰ দুখত অক্লিষ্টতা, সুখৰ ধাৰ-নিছিগা প্ৰবাহ। ঈশ্বৰৰ চৰণত আত্মসমৰ্পণ কৰোতা ভক্তৰ এই অমৃত বাণী শুনি লোৱাঁ হে অহম্মমী অবিবেকী মানৱ! তোমাৰ আগতে আহি আছে, চকু মেলি চোৱাঁ, ঈশ্বৰত সম্পূৰ্ণ আত্মনিবেদন কৰোতা যিচুখৃষ্ট, মহম্মদ, নানকৰ কি কি শক্তি কি ক্ষমতা লাভ। তেওঁলোকৰ সাংসাৰিক—কি ধনৰ, কি ঐশ্বৰ্য্যৰ, কি সম্মানৰ, কি ক্ষমতাৰ অধিকাৰ আছিল, যে তেওঁলোকে বিশ্ব-বিজয় কৰিলে? এইটো হব বিশ্ববিজয়ী তেওঁলোকৰ কি বল? এনেকুৱা তেওঁলোকৰ আৰ্হি দেখিও তুমি অহঙ্কাৰৰ আশ্ৰয় লৈ সসীম সংসাৰে দিয়া ক্ষুদ্ৰ ঐশ্বৰ্য্য সম্মান ক্ষমতালৈ হেঁপাহ কৰি, মহান্ অসীম পৰমাত্মাৰত ক্ষমতা আৰু পাৰমাৰ্থিক ঐশ্বৰ্য্য সম্মানলৈ আওকাণ কৰি আছা! হায়! আন হিচাপ consideration এৰিলেও, তুমি যদি লাভ লোকচানৰ হিচাপ কৰোতা চতুৰ business-men ব্যৱসায়ীও হোৱা, তেনেহলেও এনে ক্ষুদ্ৰ লাভৰ বেহা কৰিবলৈ যোৱাটো তোমাৰ বুদ্ধিবৃত্তিৰ পক্ষে অগৌৰৱৰ কথা নহয় নে? এতেক হে ব্যৱসায়ী, তুমি এনে ব্যৱসায় কৰাঁ, যি ব্যৱসায়ত পৰম লাভ আছে। মহাপুৰুষ মাধৱদেৱৰ এই কথাষাৰ এবাৰ ভাবি চোৱাঁ—

"ভাৰত বৰ্ষৰ দ্বীপ, মনুষ্য শৰীৰ নৌকা
ৰামনাম মহাবস্তু সাৰ।
হেনয় বাণিজ পাই যিটো জনে নকৰয়
তাতপৰে দুখী নাহি আৰ॥"—ঘোষা।

• • •